


গুৱাহাটী আৰু নগাঁৱৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰবাহ

শুকুৰবাৰ ● ২৯ আগষ্ট ২০২৫/১২ ভাদ ১৯৪৩ শক ● দাম ৫.০০ টকা ● চতুৰ্দশ বছৰ
● সংখ্যা - ১৯ ● Vol - 14, Issue - 19

# নগাঁৱত একেদিনাই কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ

### জামুগুৰিত শ্বহীদ মনবৰ নাথৰ প্ৰতিমূৰ্তি উন্মোচন ■ ৰাঙলুত স্বীকৃতিপ্ৰাপ্ত ড্ৰাইভাৰ প্ৰশিক্ষণ কেন্দ্ৰ মুকলি ■ ডিমৌ বাইপাছত নগাঁও চহৰলৈ সোমোৱা আদৰণি তোৰণ উন্মোচন ■ জামুগুৰি গৰখীয়া থানলৈ ২০ লক্ষাধিক টকা অনুদান ঘোষণা মুখ্যমন্ত্ৰীৰ





**জয়ন্ত মুদৈ, নগাঁও ঃ** 'বিজেপিয়ে সাম্প্ৰদায়িকতাই কৰে। কাৰণ বিজেপিৰ সাম্প্ৰদায়িকতাৰ অৰ্থ হ'ল আমি তুষ্টিকৰণ নকৰো।' -এই মন্তব্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। নগাঁৱৰ ৰাঙলুত স্বীকৃতিপ্ৰাপ্ত ড্ৰাইভাৰ প্ৰশিক্ষণ কেন্দ্ৰ আৰু স্বয়ংক্ৰিয় ড্ৰাইভিং টেষ্ট ট্ৰেক মুকলি কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই সংবাদ মাধ্যমৰ আগত আৰু কয় যে-আমি সকলো মানুহ সমান বুলি ভাবো। কাকো আমি বিশেষ ট্ৰিটমেন্ট নিদিওঁ। লুৰিণজ্যোতি গগৈ, ৰাহুল গান্ধী এওঁলোকে এটা বিশেষ সম্প্ৰদায়ৰ মাজত তুষ্টিকৰণ কৰে। আমি তুষ্টিকৰণ নকৰো। আমি সকলোকে সমান দৃষ্টিৰে চাওঁ। সেইটো যদি সাম্প্ৰদায়িকতাবাদ হয়, তেন্তে সেইটো সাম্প্ৰদায়িকতাবাদ আমি কৰো আৰু আমি নিজকে গৌৰৱবোধ কৰো। তাত আমাৰ কোনো খেদ আৰু দুখ নাই। এইটো সদায়ে হৈ থাকিব। লগতে মুখ্যমন্ত্ৰী ১০ পৃষ্ঠাত

## মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয় নতুন চৌহদত ৮ টা নতুন বিভাগৰ পাঠদান কাৰ্যসূচীৰ শুভাৰম্ভ



**বিশেষ সংবাদদাতা, নগাঁও ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ শৈক্ষিক যাত্ৰাত সংযোজিত হ'ল এক নতুন অধ্যায়। বিশ্ববিদ্যালয়খনৰ ৰাইদঙ্গীয়াস্থিত মূল চৌহদত Economics, Political Science, Commerce, ১০ পৃষ্ঠাত

## ৰাজ্য চৰকাৰে যি কথা কয় তাক আখৰে আখৰে পালন কৰে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ অধীনত মৰিগাঁও জিলাৰ জাগীৰোড বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটৰ সদস্যাসকললৈ দহ হাজাৰ টকাকৈ চেক প্ৰদানৰ শুভাৰম্ভণি কৰাৰ লগতে জাগীৰোডৰ টাটা অৰ্দ্ধপৰিবাহী প্ৰকল্পস্থলীত ১৪২ কোটি টকা ব্যয় সাপেক্ষ কৰ্মজীৱি মহিলা নিবাস আৰু মায়াঙৰ ভকতগাঁওস্থিত জাগীৰোড সমজিলা আয়ুক্তৰ কাৰ্যালয় ভৱনৰ ভূমি পূজন আৰু শিলান্যাস কৰে। মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ অধীনত চেক প্ৰদান উপলক্ষে মৰিগাঁও জিলাৰ জাগী ১০ পৃষ্ঠাত




## দক্ষিণ শালমাৰা- মানকাচৰ জিলাৰ কোক্ৰাডাঙাত ব্ৰহ্মপুত্ৰৰ খহনীয়াত আক্ৰান্ত অঞ্চল পৰিদৰ্শন মন্ত্ৰী পীযুষ হাজৰিকাৰ

**ধুবুৰী ঃ** জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই দক্ষিণ শালমাৰা-মানকাচৰ জিলা ভ্ৰমণ কৰি জিলাখনৰ কোক্ৰাডাঙা অঞ্চলত ব্ৰহ্মপুত্ৰ নদীয়ে সৃষ্টি কৰি অহা খহনীয়াৰ বুজ লয়। অঞ্চলটোত প্ৰায় ৪০০ মিটাৰ অংশত ব্ৰহ্মপুত্ৰৰ ব্যাপক খহনীয়াই বৃহত্তৰ অঞ্চললৈ ভাবুকিৰ সৃষ্টি কৰি আহিছিল। উক্ত স্থানত জলসম্পদ বিভাগৰ উদ্যোগত ইতিমধ্যে জৰুৰীকালীন প্ৰতিৰোধী ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছিল। ধুবুৰীৰ পৰা 'স্পীড বোটেৰে' জলসম্পদ মন্ত্ৰীগৰাকীয়ে ১০ পৃষ্ঠাত



## নগাঁৱৰ কাৰাগাৰ পৰিদৰ্শন গুৱাহাটী উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ বি.পি কাটাকেৰ

**বিশেষ সংবাদদাতা, নগাঁও ঃ** গুৱাহাটী উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ বি.পি কাটাকেই ২০ আগষ্ট বুধবাৰে নগাঁৱৰ কেন্দ্ৰীয় কাৰাগাৰ আৰু বিশেষ কাৰাগাৰত উপস্থিত হয় আৰু দুয়োখন কাৰাগাৰ পৰিদৰ্শন কৰে। প্ৰাক্তন ন্যায়াধীশ গৰাকীৰ এই পৰিদৰ্শনৰ মূল উদ্দেশ্য আছিল কাৰাগাৰ কৰ্তৃপক্ষৰ সৈতে মত বিনিময় কৰা আৰু কাৰাগাৰত থকা বন্দী কয়দীসকলৰ সৈতে জড়িত বিভিন্ন বিষয় আৰু সমস্যা সমূহৰ বুজ লোৱা। এই পৰিদৰ্শনৰ সময়ত তেওঁৰ সংগদান দিয়ে নগাঁও জিলা আইন সেৱা প্ৰাধীকৰণৰ সম্পাদিকা মুনমী নেওঁগ, মানসিক ৰোগ বিশেষজ্ঞ ডাঃ জিয়াউদ্দিন আহমেদ, গুৱাহাটীৰ স্বেচ্ছাসেৱী অনুষ্ঠান ষ্টুডিঅ' নিলিমাৰ বিষয়ববীয়া সকলৰ লগতে নগাঁৱৰ লাৰ্নড লিগেল এড ডিফেন্স কাউন্সেল সদস্য আৰু নগাঁৱৰ কেন্দ্ৰীয় আৰু বিশেষ কাৰাগাৰৰ অধীক্ষকসকলৰ লগতে অন্যান্য বিষয়াসকলে।

# যোৰহাটত দিগদৰ্শন প্ৰকাশন আৰু এনাজৰী সাহিত্য-সংস্কৃতি গোষ্ঠীৰ উদ্যোগত শোণিতপুৰ জিলাৰ সাংবাদিক চন্দন শৰ্মালৈ 'সংবাদ প্ৰহৰী' বঁটা প্ৰদান

## 'বিটৌত বেলিৰ ৰং' গল্প সংকলন আৰু গল্প আৰু কবিতাৰ একত্ৰ সংকলন 'সপোনময় জীৱনৰ ঢৌ'ৰ শুভ উন্মোচন



**নিউজ ডেস্ক ঃ** সাংস্কৃতিক নগৰী যোৰহাটৰ উৰুলি বিবাহ ভৱনত দেওবাৰে যোৰহাটৰ অগ্ৰণী প্ৰকাশন গোষ্ঠী দিগদৰ্শন প্ৰকাশন আৰু এনাজৰী সাহিত্য-সংস্কৃতি গোষ্ঠীৰ উদ্যোগত এখন গ্ৰন্থ উন্মোচনী সভাৰ লগতে বিভিন্ন দিশত বঁটা প্ৰদান অনুষ্ঠানৰ সফলৰূপে সম্পন্ন হয়। ইয়াৰে সংবাদ ক্ষেত্ৰখনত বহু ধৈৰ্য্য, ত্যাগ, কষ্টৰে সুদীৰ্ঘ দহ বছৰ কাল নিৰলস প্ৰচেষ্টাৰে শোণিতপুৰ জিলাৰ লগতে অন্য জিলাৰ বিভিন্ন প্ৰান্ততো খবৰৰ ওপৰত খৱৰ সংগ্ৰহ কৰি বিভিন্ন সংবাদ মাধ্যম আৰু বহুকেইখন জনপ্ৰিয় কাকতৰ জৰিয়তে প্ৰকাশ কৰি ৰাইজৰ মাজত এক যোগাত্মক সৃষ্টিশীলৰ বাৰ্তা দিবলৈ সক্ষম হোৱা শোণিতপুৰ জিলাৰ ঐতিহ্যমণ্ডিত জামুগুৰিহাটৰ বিভিন্ন জাতি জনগোষ্ঠীৰ মিলনভূমি হিচাপে পৰিচিত বৃহত্তৰ ৰঙাচকুৱা অঞ্চলৰ নিৱাসী চন্দন শৰ্মালৈ দিগদৰ্শন প্ৰকাশন আৰু এনাজৰী সাহিত্য-সংস্কৃতি গোষ্ঠীৰ তৰফৰ পৰা ২০২৫ বৰ্ষৰ 'সংবাদ প্ৰহৰী' সন্মানৰে বঁটা প্ৰদান কৰে। শৰ্মা হৈছে ৰঙাচকুৱাৰ নিবাসী জগত শৰ্মা আৰু ৰাণু শৰ্মাৰ একমাত্ৰ সু-পুত্ৰ। বঁটা প্ৰাপক শৰ্মাই তেখেতৰ ভাষণ প্ৰসংগত কয় যে - 'বিশিষ্ট লিখকসকলৰ দ্বাৰা ৰচিত কিতাপসমূহ অধ্যয়ন কৰিহে সাহিত্যৰ পথাৰখন চহকী কৰিব লাগিব। জ্যেষ্ঠসকলে শিকাই যোৱাৰ লগতে আমি অধ্যয়নৰ জৰিয়তেহে একো একোটা শুৱলা শব্দৰ সৃষ্টি হয়। বৰ্তমান উঠি অহা প্ৰজন্মসকলৰ বাবে সাহিত্যৰ প্ৰতি গুৰুত্ব দিয়াত অভিভাৱকসকলৰ বিশেষ অৱদান হোৱা উচিত। নহ'লৈ আধুনিকতাৰ প্ৰতি ঢাল খাই নিজৰ ভাষা সংস্কৃতি পাহৰি ধ্বংসৰ পথলৈহে যাব। উক্ত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বিশিষ্ট লেখিকা ইলামণি শইকীয়াৰ গল্প সংকলন 'বিটৌত বেলিৰ ৰং' আৰু ইনু দত্তৰ গল্প আৰু কবিতাৰ একত্ৰ সংকলন 'সপোনময় জীৱনৰ ঢৌ'ৰ শুভ উন্মোচন কৰা হয়। গীত-নৃত্য-কবিতাৰে জীপাল হৈ উঠা অনুষ্ঠানৰ লগত সংগতি ৰাখি বিভিন্ন প্ৰান্তৰ সুযোগ কিম্বা আগ্ৰহৰ অভাৱত প্ৰচাৰ বিমুখ ভালেকেইজন প্ৰকৃত সাহিত্য-সংস্কৃতিবান ব্যক্তি, সমাজ সংগঠকক বিশেষভাৱে সন্মানিত কৰে এনাজৰী সাহিত্য-সংস্কৃতি গোষ্ঠী আৰু দিগদৰ্শন প্ৰকাশনে। তাৰে ভিতৰত উষানগৰী তেজপুৰৰ বিশিষ্ট সাহিত্যিক তথা অসম সাহিত্য সভাৰ সদস্যা ৰঞ্জিতা সিংহ দত্তক এনাজৰী সাহিত্য সন্মান বঁটাৰে আৰু বিশিষ্ট কবি তথা অসম সাহিত্য সভাৰ সদস্যা মনিষা বৰা সিংহক কাব্য প্ৰেৰণা বঁটাৰে সন্মানিত কৰে। ইয়াৰ উপৰিও বিশিষ্ট কবি নাচৰিণ চুলতানাক ২০২৫ বৰ্ষৰ নতুন প্ৰজন্মৰ কণ্ঠস্বৰ বঁটাৰে সন্মানিত কৰে। উক্ত অনুষ্ঠানত বহুকেইজন বিশিষ্ট অতিথিৰ অংশগ্ৰহণে সৌষ্ঠৱ বৃদ্ধি কৰে।

# নম্বৰকেন্দ্ৰিক শিক্ষা এতিয়া ক্ৰমাৎ অপ্ৰাসংগিক হৈ আহিছেঃ পৰেশ বৈশ্য

## ৰাম দিয়া শংকৰদেৱ শিশু বিদ্যা নিকেতনত কৌশল বিকাশ প্ৰশিক্ষণ



**ৰামদিয়া ঃ** আৰামদায়ক স্থানত থাকি সফলতাৰ মুখ দেখাটো কঠিন। কঠোৰ পৰিশ্ৰম, মনৰ দৃঢ়তা আৰু কামৰ ধাৰাবাহিকতাৰে জীৱনক আগুৱাই নিয়া সকলেহে সফল হ'ব পাৰে। ২৩ আগষ্টত ৰামদিয়া শংকৰদেৱ শিশু-বিদ্যা নিকেতনৰ নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আয়োজন কৰা দক্ষতা বিকাশ কাৰ্যসূচীত মুখ্য বক্তা হিচাপে ভাগ লৈ বিশিষ্ট শিক্ষাবিদ পৰেশ বৈশ্যই এইদৰে কয়। তেওঁ আৰু কয় যে কেৱল নম্বৰকেন্দ্ৰিক শিক্ষা এতিয়া ক্ৰমাৎ অপ্ৰাসংগিক হৈ আহিছে, দক্ষতা আহৰণহে শিক্ষাৰ মূল লক্ষ্য হোৱা উচিত। মুখস্থ বিদ্যাৰে নম্বৰ গোটোৱা সকলৰ বাবে জীৱন জীৱিকাৰ পথ সুগম নহ'ব বুলিও তেখেতে কয়। ইয়াৰ পাছত বিদ্যালয়খনৰ নৱম আৰু দশম শ্ৰেণীৰ শিক্ষাৰ্থীৰ অভিভাৱকসকলৰো এখনি সভা বিদ্যালয় পৰিচালনা সমিতি সভানেত্ৰী নীলিমা ভৰালীৰ সভাপতিত্বত অনুষ্ঠিত হয়। তাতো বিশিষ্ট অতিথি হিচাপে ভাগ লৈ বৈশ্যই কয় যে অভিভাৱকৰ সন্তান আপডালৰ ভুলৰ বাবে বহুতো সম্ভাৱনাপূৰ্ণ ছাত্ৰ-ছাত্ৰীয়ে বিপথে যাব লগা হৈছে। অনুষ্ঠানত বিদ্যালয়খনৰ প্ৰধান আচাৰ্য-আচাৰ্যাৰ লগতে ৰাম দিয়া শংকৰদেৱ শিশু বিদ্যা নিকেতন পৰিচালনা সমিতিৰ সচিব পৰামানন্দ ডেকাই অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱকসকলক দিহা পৰামৰ্শ আগবঢ়ায়। অনুষ্ঠানত কামৰূপৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ৰ কৰ্মচাৰী ভাস্কৰ তালুকদাৰেও শিক্ষাৰ্থীসকলক পাঠ্যক্ৰমভিত্তিক বিভিন্ন বিষয়ত আলোচনা কৰে।

# বোকাখাতত অসম চাহ্ জনজাতি মহিলা সমিতি গোলাঘাট জিলাৰ তদৰ্থ সমিতিৰ পূৰ্ণ পৰ্যায়ৰ প্ৰতিনিধি সভা

**মৃদুস্মিতা শৰ্মা, বোকাখাত ঃ** অসম চাহ জনজাতি মহিলা সমিতি (আটুৱা) গোলাঘাট জিলাৰ তদৰ্থ সমিতিৰ উদ্যোগত আৰু আটছা গোলাঘাট জিলাৰ সমূহ শাখা গোটৰ সহযোগত বোকাখাতত মহিলা সংগঠনটোৰ পূৰ্ণ পৰ্যায়ৰ প্ৰতিনিধি সভা ও মুকলি সভা ২৪ আগষ্টত অনুষ্ঠিত হৈ যায়। এই উপলক্ষে বোকাখাতৰ বাৰোৱাৰী পূজা মণ্ডপৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাৰ পতাকা উত্তোলন কৰে আটুৱাৰ গোলাঘাট জিলাৰ তদৰ্থ সমিতিৰ সভাপতি মমিতা বেহেৰাই, স্মৃতি তৰ্পণ কৰে তদৰ্থ সমিতিৰ সম্পাদিকা ডামিনী কালিন্দীয়ে। পৰৱৰ্তী সময়ত মমিতা বেহেৰাৰ পৌৰহিত্যত অনুষ্ঠিত মুকলি সভাৰ আদৰণী ভাষণ প্ৰদান কৰে সম্পাদক দামিনী কালিন্দীয়ে। মুকলি সভাত আটছা কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক তথা আটুৱা কেন্দ্ৰীয় সমিতিৰ উপদেষ্টা জগদীশ বৰাইক, আটুৱা কেন্দ্ৰীয় সমিতিৰ সভপতি মিচিমি ধান, আটুৱাৰ প্ৰতিষ্ঠাপক সভানেত্ৰী মামণি গাজলু, সম্পাদিকা চম্পা মাঝি, অসম ৰাজ্যিক সাংবাদিক সন্থাৰ সভাপতি জিতু শৰ্মা ৰাজখোৱা, আটছা কেন্দ্ৰীয় সমিতিৰ প্ৰাক্তন সাংগঠনিক সম্পাদক ৰঞ্জন কালিন্দী, আটুৱাৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদিকা জিনু প্ৰভা লোধি, ক্ৰীড়া সম্পাদিকা লেখামনি কালিন্দী, সাংগঠনিক সম্পাদিকা প্ৰিয়ংকা প্ৰজা, চাহ জনগোষ্ঠী সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক পংকজ কালিন্দী, আটছাৰ গোলাঘাট জিলাৰ সন্মানীয় সভাপতি সুশীল কালিন্দী আৰু সম্পাদক মনোজ মহানন্দ, চাহ জনগোষ্ঠী সাহিত্য সভাৰ বিত্ত সম্পাদক হৰিবোলা কালিন্দী, আটছা বোকাখাত শাখাৰ প্ৰাক্তন সভাপতি ভৰত ৰবিদাস, আটছা বোকাখাত শাখাৰ প্ৰাক্তন মুখ্য সাংগঠনিক সম্পাদক ৰামচন্দ্ৰ দৰা, আটছা বোকাখাত শাখাৰ প্ৰাক্তন সভাপতি বীৰ কুমাৰ চেত্ৰী, প্ৰাক্তন আটছা কৰ্মী নুমলী কুৰ্মী, বিশিষ্ট চিকিৎসক পংকজ খেৰীয়া, গোলাঘাট জিলাৰ অন্তৰ্গত আটছা আৰু আটুৱা শাখা সভাপতি-সম্পাদককে প্ৰমুখ্যে কৰি বিষয়ববীয়াসকল উপস্থিত থাকে। মুকলি সভাৰ পিচতে আটুৱাৰ গোলাঘাট জিলাৰ পূৰ্ণ পৰ্যায়ৰ প্ৰতিনিধি সভা ও বিষয় বাছনি সভা অনুষ্ঠিত হয়। প্ৰতিনিধি সভাত আটুৱা কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক প্ৰিয়ংকা প্ৰজা আৰু আটছা কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক তথা উপদেষ্টা জগদীশ বৰাইক, আটুৱা কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক জিনু প্ৰভা লোধি, আটুৱাৰ কেন্দ্ৰীয় সমিতিৰ ক্ৰীড়া সম্পাদিকা লেখামণি কালিন্দী, আটছা গোলাঘাট জিলাৰ সভপতি সুশীল কালিন্দী আৰু সম্পাদক মনোজ মহানন্দ পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে। প্ৰতিনিধি সভাত গোলাঘাট জিলাৰ অন্তৰ্গত বোকাখাত, দেৰগাঁও, খুমটাই, গোলাঘাট, বৰপথাৰ আৰু সৰুপথাৰ শাখাৰ পৰা অহা প্ৰতিনিধি তথা আটছা সভাপতি সম্পাদক তথা আটুৱা সভাপতি সম্পাদক আৰু বিষয়ববীয়াসকল উপস্থিত থাকে। প্ৰতিনিধি সভাতে আটুৱাৰ গোলাঘাট জিলাৰ তদৰ্থ সমিতিখন ভঙ্গ কৰি এখন পূৰ্ণাংগ সমিতিখন গঠন কৰা হয়। এই সভাতে মমিতা বেহেৰাক সভাপতি আৰু দামিনী কালিন্দী সম্পাদিক হিচাবে লৈ মুঠ ৩১ জনীয়া নিৰ্বাচিত প্ৰতিনিধিৰে আটুৱাৰ গোলাঘাট জিলাৰ পূৰ্ণাঙ্গ সমিতিখন গঠন হয়।

### সমন্বয় সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত সাধাৰণ জাতি সুৰক্ষা সন্মিলন-অসমৰ সৌজন্যত

# সপ্তম বাৰ্ষিক সদৌ অসম ড° নিৰ্মল প্ৰভা বৰদলৈ আৰু পদ্মশ্ৰী দীপালী বৰঠাকুৰৰ গীতৰ প্ৰতিযোগিতা



**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ ঃ** শিৱসাগৰৰ অন্যতম সামাজিক-সাংস্কৃতিক অনুষ্ঠান সমন্বয় সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত আৰু সাধাৰণ জাতি সুৰক্ষা সন্মিলন-অসম কেন্দ্ৰীয় সমিতিৰ সৌজন্যত তথা হাঁহচৰা শাখা সাধাৰণ জাতি সুৰক্ষা সন্মিলন, অসম নাট্য সন্মিলন-শিৱসাগৰ শাখা আৰু সাংস্কৃতিকপ্ৰেমী ৰাইজৰ সহযোগত শিৱসাগৰ নগৰৰ হিন্দু ধৰ্ম্মসভা নামঘৰ প্ৰেক্ষাগৃহত অহা ৩ ছেপ্তেম্বৰ, বুধবাৰে ৰংপুৰত নীলা-দীপালীৰে এদিন... শীৰ্ষক এক সংগীতানুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানৰ উপলক্ষ্যত সপ্তম বাৰ্ষিক সদৌ অসম প্ৰাইজমানি প্ৰখ্যাত গীতিকাৰ, সৰস্বতী ড° নিৰ্মল প্ৰভা বৰদলৈ আৰু কোকিলকণ্ঠী গায়িকা পদ্মশ্ৰী দীপালী বৰঠাকুৰৰ গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে, পুৱা ১০ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাখনি 'ক' আৰু 'খ' দুটা শাখাত আয়োজন কৰা হৈছে। 'ক' শাখা চতুৰ্থ শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈ (ভৰ্ত্তি মাচুল ঃ ৩০০ টকা) আৰু 'খ' শাখা দশম শ্ৰেণীৰ পৰা সকলো স্তৰৰ প্ৰতিযোগীৰ বাবে মুকলি (ভৰ্ত্তি মাচুল ঃ ৪০০ টকা) থাকিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে। নিম্ন শাখাৰ প্ৰথম-দ্বিতীয় আৰু তৃতীয় বিজয়ী প্ৰতিযোগীক ক্ৰমে মানপত্ৰসহ নগদ ধন ৪,০০০ টকা, ২,৫০০ টকা আৰু ১,৫০০ টকা আগবঢ়োৱা হ'ব। আনহাতে উচ্চশাখাত প্ৰথম বিজয়ী প্ৰতিযোগীক মানপত্ৰসহ নগদ ধন ৫,০০০ টকা, দ্বিতীয় বিজয়ী প্ৰতিযোগীক মানপত্ৰসহ নগদ ধন ৩,০০০ টকা আৰু তৃতীয় বিজয়ী প্ৰতিযোগীক মানপত্ৰসহ নগদ মন ২,০০০ টকা প্ৰদান কৰা হ'ব। অধিক তথ্যৰ বাবে ম'বাইল নম্বৰ ক্ৰমে ঃ ৮৬৩৮২-০৯৪৭৭ অথবা ৯১০১৫-০৩৩১২ ত যোগাযোগ কৰিবলৈ উদ্‌যাপন সমিতিৰ সভাপতি জুৰীমণি দত্ত আৰু সম্পাদক পৰী শইকীয়াই অনুৰোধ জনাইছে।

# কলংপাৰ বিদ্যাপীঠৰ ৩০ সংখ্যক প্ৰতিষ্ঠা দিৱস

## ভায়লিনা গায়নক শিক্ষাবিদ হৰেশ্বৰ গোস্বামী সোঁৱৰণী বঁটা, লোকশিল্পী কলিৰাম বৰাক শিক্ষাবিদ হেমকান্ত শৰ্মা সোঁৱৰণী বঁটা প্ৰদান



**নগাঁৱৰ বিশেষ প্ৰতিবেদক ঃ** ‘অসমত যিসময়ত কনিষ্ঠ মহাবিদ্যালয়ৰ কথা মানুহে নাজানিছিল, সেইখিনি সময়তে নগাঁৱত কলংপাৰ বিদ্যাপীঠ প্ৰতিষ্ঠা হৈছিল। আদৰ্শগত শিক্ষা প্ৰৱৰ্তন আৰু মানুহ গঢ়াৰ লক্ষ্যৰে নগাঁৱৰ বৌদ্ধিক সমাজখনে এই বিদ্যাপীঠখন স্থাপন কৰিছিল। আজিও সেই লক্ষ্য-উদ্দেশ্যৰ পৰা ফালৰি কাটি অহা নাই কলংপাৰ বিদ্যাপীঠে। সেয়েহে কলংপাৰ বিদ্যাপীঠৰ বহু ছাত্ৰ-ছাত্ৰী আজি মানুহ হৈছে।”- যোৱা ২১ আগষ্টত এই মন্তব্য কলংপাৰ বিদ্যাপীঠৰ পৰিচালনা সমিতিৰ সভাপতি গিৰীন্দ্ৰ কুমাৰ বৰুৱাৰ। ৩০ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু নৱাগত আদৰণী উৎসৱৰ সৈতে সংগতি ৰাখি নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত মুকলি সভাত সভাপতিৰ ভাষণত প্ৰাক্তন মন্ত্ৰী তথা অৱসৰপ্ৰাপ্ত অধ্যাপকজনে প্ৰতিষ্ঠাৰ পৰা আজিলৈ কলংপাৰ বিদ্যাপীঠৰ শৈক্ষিক যাত্ৰাত সহায়-সহযোগিতা আগবঢ়াই অহা সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰে। অধ্যক্ষ পদুম ৰাজখোৱাই আঁত ধৰা সভাৰ আৰম্ভণিতে শিক্ষাবিদ হৰেশ্বৰ গোস্বামী, প্ৰাক্তন অধ্যক্ষ হেমকান্ত শৰ্মা আৰু প্ৰাক্তন অধ্যক্ষ হৰেশ্বৰ বৰুৱালৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। বন্তি প্ৰজ্বলন কৰে গিৰীন্দ্ৰ কুমাৰ বৰুৱা, হৰেশ্বৰ গোস্বামীৰ পুত্ৰ সপোন গোস্বামী, কন্যা স্নিগ্ধা গোস্বামী, হেমকান্ত শৰ্মাৰ সহধৰ্মিনী ৰীণা গোস্বামী আৰু পুত্ৰ নলিনাক্ষ শৰ্মাই। পুষ্পাঞ্জলি তৰ্পণ কৰে ডাঃ মুকুট গোস্বামী, গল্পকাৰ শিৱানন্দ কাকতি, হোজাই জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° গুণ শইকীয়া, কবি মনোজ শৰ্মা আৰু কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত সম্পাদক শ্যামন্ত দাসে। প্ৰাৰ্থনা গতৈয়ে পৰিৱেশন কৰা বৰগীত আৰু নৃত্য পটিয়সী জাগৃতি কলিতা আৰু গংগোত্ৰী কলিতাই পৰিৱেশন কৰা গুৰুবন্দনাৰে আৰম্ভ হোৱা সভাৰ আৰম্ভণিতে অসম সাহিত্য সভাৰ উপ-সভাপতিৰ পদ অলংকৃত কৰাৰ কাৰণে অধ্যক্ষ পদুম ৰাজখোৱাক সমূহ শিক্ষকৰ উপস্থিতিত বিদ্যাপীঠ পৰিচালনা সমিতি, শিক্ষক গোট আৰু কলংপাৰ বিদ্যাপীঠ শাখা সাহিত্য সভাৰ তৰফৰ পৰা উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সম্বৰ্ধনা গ্ৰহণ কৰি আৱেগিক হৈ পৰা ৰাজখোৱাই কলংপাৰ বিদ্যাপীঠ পৰিয়ালক ধন্যবাদ জ্ঞাপন কৰি কয় যে কলংপাৰ বিদ্যাপীঠে জন্মলগ্নৰে পৰা মানুহ গঢ়িবৰ কাৰণে সেৱা আগবঢ়াই আহিছে। নগএগ শিক্ষাবিদ, সমাজসেৱক, সাংবাদিকসকলৰ সহায় আৰু মূলতঃ শিক্ষকসকলৰ শ্ৰম আৰু ত্যাগৰ কাৰণেই সেয়া সম্ভৱ হৈ উঠিছে বুলি উল্লেখ কৰি তেওঁ বিদ্যাপীঠৰ গৌৰৱময় ডেৰকুৰি বছৰীয়া ইতিহাস চমুকৈ দাঙি ধৰে। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে কামৰূপ মহানগৰৰ অতিৰিক্ত জিলা আয়ুক্ত অজিত কুমাৰ শৰ্মা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ অধ্যাপিকা ড° ৰশ্মিৰেখা গোস্বামী, অসম চৰকাৰৰ গৃহ আৰু নগৰ উন্নয়ন বিভাগৰ যুটীয়া সচিব তথা অগ্ৰুতৰ ৰাজিক মিছন সঞ্চালক সম্প্ৰীতি গোস্বামী, ধিং মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপিকা কংকনা শৰ্মা, ওদালগুৰি জিলাৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক মোজাফৰ হুছেইন আৰু নগাঁও বিশ্ববিদ্যালয়ৰ উপ পৰীক্ষা নিয়ন্ত্ৰক আফজালুৰ ৰহমানে। নিজৰ ভাষণত প্ৰশাসনিক বিষয়া অজিত কুমাৰ শৰ্মাই কলংপাৰ বিদ্যাপীঠত পাৰ কৰা তেওঁৰ শিক্ষক জীৱনৰ স্মৃতি অত্যন্ত মধুৰ বুলি ব্যক্ত কৰি কয় যে সফলতাৰ বাবে সকলোকে সাধনা লাগিবই। জ্যেষ্ঠজন আৰু পিতৃ-মাতৃৰ প্ৰতি শ্ৰদ্ধাশীল নোহোৱাজনে কেতিয়াও সফলতা লাভ কৰিব নোৱাৰে বুলি ব্যক্ত কৰি তেওঁ কয় যে পৃথিৱীখন যোগ্যসকলৰ বাবেহে উপভোগৰ থলী। গতিকে ছাত্ৰসকলে নিজক যোগ্য কৰিবলৈ চেষ্টা কৰিব লাগিব। কলংপাৰ বিদ্যাপীঠৰ পৰা অৱতীৰ্ণ হৈ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত স্থান লাভ কৰা ড° ৰশ্মিৰেখা গোস্বামীয়ে মানুহৰ জীৱনত ভাৰতীয় সভ্যতা-সংস্কৃতিৰ প্ৰভাৱৰ কথা উল্লেখ কৰি কয় যে ছাত্ৰ-ছাত্ৰী অৰ্জুনৰ দৰে হ’ব লাগিব, লক্ষ্য স্থিৰ কৰি আগবাঢ়িব লাগিব। তেতিয়াহে নিজকে মানুহ হিচাপে গঢ় দিব পাৰিব। সমাজসেৱক সীতাৰাম আগৰৱালা, লেখিকা জেউতি হাজৰিকা, জয়ন্তী বৰা, ৰিজুমণি শইকীয়া, মীনা বৰা শইকীয়া, কবি দ্বিজেন্দ্ৰ মোহন হাজৰিকা, ভোলা কলিতা, ডাঃ প্ৰদীপ ডেকা, যুৱ ছাত্ৰ পৰিষদৰ নগাঁও জিলাৰ প্ৰাক্তন সাধাৰণ সম্পাদক দেৱাশিস দাস, সাংবাদিক জয়ন্ত বৰা, মিণ্টু দাস, সাহিত্যকৰ্মী প্ৰমোদ দাস, দীপাংকৰ শইকীয়া, কানু লস্কৰ, ধন কুমাৰ গায়ন আদি বহু বিশিষ্ট লোক উপস্থিত থকা সভাত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত স্থানপ্ৰাপ্ত কলংপাৰ বিদ্যাপীঠৰ এসময়ৰ ছাত্ৰী, বৰ্তমানৰ প্ৰশাসনিক বিষয়া সম্প্ৰীতি গোস্বামীয়ে দ্ৰুত গতিত বৃদ্ধি হোৱা সামাজিক অৱক্ষয়ৰ কথা উল্লেখ কৰি কয় যে মোবাইলৰ গ্ৰাসত পৰা আজিৰ ল’ৰা-ছোৱালীয়ে ক্ৰমশঃ মানুহৰ সৈতে কথা পাতিব নজনা হৈ আহিছে। সমাজৰ সৈতে সম্পৰ্কচ্যুত হৈছে একাংশ যুৱপ্ৰজন্ম। সেয়ে সকলোৱে সংস্কাৰৰ বাবে চেষ্টা কৰিব লাগিব। আৰক্ষী বিষয়া, বিদ্যাপীঠৰ প্ৰাক্তন ছাত্ৰ হুছেইনে নিজৰ ভাষণত কলংপাৰ বিদ্যাপীঠত পাৰ কৰা দিনবোৰৰ কথা সোঁৱৰণ কৰে আৰু ছাত্ৰ সমাজক উদ্দেশ্যি কয় যে লক্ষ্যত উপনীত হ’বলৈ কঠোৰ সাধনা, নিয়মানুৱৰ্তিতা আদি লাগিব। ভৱিষ্যতৰ সুনাগৰিক হ’বলৈ হ’লে ছাত্ৰ-ছাত্ৰীয়ে মানুহক ভাল পাব লাগিব, সমাজক ভাল পাব লাগিব। কাষৰ মানুহঘৰৰ আপদে-বিপদে সহায়ক হ’ব লাগিব। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰথম স্থানপ্ৰাপ্ত বিদ্যাপীঠৰ প্ৰাক্তন ছাত্ৰী, অধ্যাপিকা কংকনা শৰ্মাই আগৰ সমাজ আৰু আজিৰ সমাজৰ তুলনা দাঙি ধৰি কয় যে এতিয়া ভাবিব নোৱাৰাকৈ সামাজিক মাধ্যম জনপ্ৰিয় হৈছে। মানুহে সামাজিক মাধ্যমত ব্যস্ত হৈছে। কিন্তু মানুহ কিমান সামাজিক হৈছে, সেয়া এটা ডাঙৰ প্ৰশ্ন হৈ পৰিছে। তেওঁ কয় যে কৃত্ৰিম বুদ্ধিমত্তা সকলোৰে সহায়ৰ বাবে সৃষ্টি হৈছে। কিন্তু এসময়ত সি ভয়ংকৰ হৈ উঠিব পাৰে, কাৰণ ইয়াৰ অপপ্ৰয়োগ ইতিমধ্যে আৰম্ভ হৈছে। বিদ্যাপীঠৰ ছাত্ৰ-ছাত্ৰীসকলে গীত-নৃত্যৰে মুখৰিত কৰা অনুষ্ঠানত অধ্যাপক ড° আফজালুৰ ৰহমানে শৈক্ষিক ক্ষেত্ৰখনলৈ অহা পৰিৱৰ্তনৰ কথা উল্লেখ কৰি যুগৰ লগত খাপ খাবলৈ হ’লে ছাত্ৰ-ছাত্ৰীসকলে নতুন চিন্তা-চেতনাৰে নিজক সমৃদ্ধ কৰি অধ্যয়ন কৰিব লাগিব বুলি মন্তব্য দিয়ে। সুৰজিৎ দেৱনাথ, দিগন্ত বৰদলৈ, বিজয় বসুমতাৰী, ফুনুমণি বৰা, জ্যোতিমণি ডেকা, আব্দুল ৱাহিদ, অতুলচন্দ্ৰ বৰুৱা, উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত স্থানপ্ৰাপ্ত ৰুণামণি কলিতা আদি বিদ্যাপীঠৰ সকলো শিক্ষক আৰু কৰ্মচাৰীক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা সভাত অসমৰ বিশিষ্ট কালি বাদক, এসময়ৰ দক্ষ দবা খেলুৱৈ, সুঅভিনেতা, লোকশিল্পী ভেলেউগুৰিৰ কলিৰাম বৰাক শিক্ষাবিদ হেমকান্ত শৰ্মা সোঁৱৰণী বঁটা প্ৰদান কৰা হয়। হেমকান্ত শৰ্মাৰ পৰিয়ালবৰ্গৰ উপস্থিতিত প্ৰদান কৰা এই বঁটাত আছে গামোচা, চেলেং, স্মাৰক, মানপত্ৰ আৰু নগদ পোন্ধৰ হাজাৰ টকা। সভাত হৰেশ্বৰ গোস্বামী সোঁৱৰণী বঁটা প্ৰদান কৰা হয় ২০২৫ বৰ্ষত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত নগাঁও জিলাৰ ভিতৰত অসমীয়া বিষয়ত সৰ্বোচ্চ নম্বৰ লাভ কৰোঁতা গীতাঞ্জলি চিনিয়ৰ চেকেণ্ডেৰী স্কুলৰ ছাত্ৰী ভায়লিনা গায়নক। হৰেশ্বৰ গোস্বামীৰ পৰিয়ালৰ উপস্থিতিত প্ৰদান কৰা এই বঁটাত আছে আদৰণি বস্ত্ৰ, স্মাৰক, মানপত্ৰ আৰু নগদ ধন। ছাত্ৰ প্ৰতিনিধি প্ৰিন্স সিং, ৰিম্পি শৰ্মা আৰু দীপশিখা দাসে যুৱপ্ৰজন্মৰ অনুভৱ ব্যক্ত কৰা সভাত বৰ্ষশ্ৰেষ্ঠ ফলাফল বঁটা প্ৰদান কৰা হয় কলা শাখাৰ ছাত্ৰী মায়াপঞ্চী দেৱী আৰু বাণিজ্য শাখাৰ ছাত্ৰ নয়নজ্যোতি কাশ্যপক। সভাৰ শেষত অতুল চন্দ্ৰ বৰুৱা আৰু ৰুণামণি কলিতাৰ পৰিচালনাত সম্প্ৰীতিৰ আহ্বানপূৰ্ণ এমুঠি গীত-নৃত্যৰে নৱাগত ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনোৱা হয়। ইফালে ২০ আগষ্টৰ পুৱা পতাকা উত্তোলনৰে প্ৰতিষ্ঠা দিৱসৰ শুভাৰম্ভ কৰা হয়। পতাকা উত্তোলন কৰে অধ্যক্ষ পদুম ৰাজখোৱাই। স্মৃতি তৰ্পণ কৰে জ্যেষ্ঠ শিক্ষক সুৰজিৎ দেৱনাথে। দুপৰীয়া অভিভাৱক সভা অনুষ্ঠিত হয়। সন্ধ্যা বন্তি প্ৰজ্বলন কাৰ্যসূচীৰ শুভাৰম্ভ কৰে জ্যেষ্ঠ শিক্ষক বিজয় বসুমতাৰী আৰু আব্দুল ৱাহিদে।

# শুৱালকুছি লেখিকা সংস্থাৰ উদ্যোগত কণ কণ ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ অনুষ্ঠান

**অনামিকা (সংগীতা) কলিতা, শুৱালকুছি ঃ** সাহিত্য হ’ল প্ৰতিটো জাতিৰ দাপোণ। ১৭ আগষ্ট ২০২৫ তাৰিখে ‘শুৱালকুছি জ্ঞানদ্বীপ ইংলিছ একাডেমি’ প্ৰাংগণত সময় ৰাতিপুৱা ১০ বজাৰ পৰা শুৱালকুছি শাখা লেখিকা সংস্থাৰ উদ্যোগত কণ কণ ছাত্ৰ-ছাত্ৰীৰ অসমীয়া ভাষাৰ প্ৰতি মনোনিৱেশ আৰু প্ৰতিভা বিকাশৰ কাৰণে দ্বিতীয় শ্ৰেণীৰ পঞ্চম শ্ৰেণীলৈ বানান প্ৰতিযোগিতা আৰু কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত কৰে। প্ৰতিযোগিতা দ্বিতীয়-তৃতীয় শ্ৰেণীত ক শাখাতআৰু চতুৰ্থ-পঞ্চম শ্ৰেণীক খ শাখাত অন্তৰ্ভূক্ত কৰে। বানান প্ৰতিযোগিতা প্ৰাক্তন সভানেত্ৰী কুমাৰ কামদা বৈশ্যৰ তত্বাৱধান সম্পাদনা হয়। সহযোগিতা আগবঢ়ায় শিক্ষক দুলু কলিতা। কবিতা আবৃত্তি প্ৰতিযোগিতাত শিক্ষয়িত্ৰী ৰশ্মি ৰাণী বৈশ্য আৰু দুলু কলিতাই বিচাৰকৰ দায়িত্ব পালন কৰে। শুৱালকুছিৰ কেইবাখনো বিদ্যালয়ৰ পৰা শিশুসকল আহি অংশগ্ৰহণ কৰিছে। সিহঁতৰ প্ৰতিভাবোৰ দেখি আচৰিত হ’লো। বানান প্ৰতিযোগিতাত ক শাখাত দ্বিতীয়-তৃতীয় শ্ৰেণীৰ ক্ৰমে প্ৰথম স্থান-হৰ্ষিতা দাস। দ্বিতীয় স্থান জোৱানিকা দাস, সনাতন বালিকা প্ৰাথমিক বিদ্যালয়ৰ। তৃতীয় স্থান-জোনাকী বৰ্মন, আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰী। চতুৰ্থ স্থান-অনুস্কা বৈশ্য, পঞ্চম স্থান - ধিয়া বনিয়া বৈশ্য, সনাতন বালিকা প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰী। বানান প্ৰতিযোগিতা চতুৰ্থ আৰু পঞ্চম শ্ৰেণীৰ খ শাখাত। প্ৰথম স্থান-হিয়া মেধি, দ্বিতীয় স্থান- বৃষ্টি নাথ, তৃতীয় স্থান-মনীষা চৰকাৰ, চতুৰ্থ-পংখী দাস, পঞ্চম স্থান-জিন্টী বৈশ্য গোটেই কেইগৰাকী সনাতন বালিকা প্ৰাথমিক বিদ্যালয়ত পঢ়ি আছে। আবৃত্তি প্ৰতিযোগিতা দ্বিতীয়-তৃতীয়-ক-শাখা। প্ৰথম স্থান-ৰাগিনী দাস, দ্বিতীয় স্থান-হৰ্ষিতা দাস, তৃতীয় স্থান-জোৱানিকা বৈশ্য, চতুৰ্থ স্থান-গাৰ্গী কলিতা গোটেই কেইগৰাকী সনাতন বালিকা প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰী। পঞ্চম স্থান-স্মৃতি ৰাণী দাস, শঙ্কৰদেৱ শিশু বিদ্যানিকেতনৰ ছাত্ৰী। চতুৰ্থ, পঞ্চম--খ- শাখা। প্ৰথম স্থান-বৃষ্টি নাথ, সনাতন বালিকা প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰী। দ্বিতীয় স্থান-গাৰ্গী মেধি, আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰী। তৃতীয় স্থান-হিয়া মেধি, চতুৰ্থ স্থান- শিবাংগী নাথ দুয়োজনী সনাতন বালিকা প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰী। পঞ্চম স্থান- কুহিস্মিতা ঠাকুৰীয়া, অৰুণোদয় বিদ্যামন্দিৰ পঢ়ি থকা ছাত্ৰী- ছাত্ৰসকলেও অংশগ্ৰহণ কৰিছিল। কিন্তু ছাত্ৰীসকলৰ পাৰদৰ্শিত আকৰ্ষণীয়। বটাঁ বিতৰণী সভাৰ সভাপতিৰ আসন শুৱনি কৰে শুৱালকুছি লেখিকা সংস্থাৰ সভানেত্ৰী নীলিমা দাস। সভাৰ ব্যাখ্যা আগবঢ়ায় সেই সংস্থাৰ সম্পাদিকা মঞ্জু কাকতি। শুৱালকুছিৰ বিশিষ্ট ব্যক্তি ৰঞ্জিত মহন্ত দেৱো উপস্থিতিয়ে অনুষ্ঠানটো জীপাল কৰি তোলে। শাখাটোৰ বিভিন্ন বাবদ থকা মিনতি দাস মেধি, জোনালী দাস, শিক্ষয়িত্ৰী দীপাঞ্জলী ডেকা আৰু শিক্ষয়িত্ৰী স্বৰ্ণময়ী কলিতাই বঁটাসমূহ নিজৰ ফালৰ পৰা প্ৰদান কৰে। সেই সংস্থাৰ বিষয়বাবৰ সদস্যা অনামিকা (সংগীতা) কলিতা নিজৰ দুখন গ্ৰন্থ প্ৰতিভা থকা দুগৰাকী ছাত্ৰীক প্ৰদান কৰে। সংস্থাটোৰ বিভিন্ন বাবদ থকা লেখিকা যমুনা দুলু বৈশ্য, ৰুক্মিণী দাস, নমিতা দাস, মিনাক্ষী দাস বৰুৱা, ৰঞ্জু দাস মঞ্জল, জ্যোৎস্না দাস, উৰ্মীমালা দেৱী আদি লেখক লেখিকাসকলে অনুষ্ঠানটো চলাই নিয়াত সহযোগিতা আগবঢ়ায়। সদস্যা তৰলী ভৰালী, অৰ্পণা বৈশ্য, শিক্ষয়িত্ৰী ৰুণুমি কলিতাইও সহযোগিতা কৰে।



# শুৱালকুছি খণ্ড উন্নয়ন এলেকাৰ ৯খন গাওঁ পঞ্চায়তত মুখ্যমন্ত্ৰীৰ সুলভ ইন্ধন আঁচনিৰ প্ৰ-পত্ৰ বিতৰণ মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীৰ



**ৰমেন ভৰালী, বংশৰ ঃ** ভাৰতীয় জনতা পাৰ্টীৰ শুৱালকুছি মণ্ডলৰ ৯খন গাঁও পঞ্চায়তৰ অন্তৰ্গত গাঁও পঞ্চায়ত প্ৰতিনিধি, আঞ্চলিক সদস্য আৰু বুথ সভাপতি, ৱাড সদস্যৰ মাজত মুখ্যমন্ত্ৰীৰ সুলভ ইন্ধন আঁচনিৰ প্ৰ-পত্ৰ বিতৰণৰ এখন সভা যোৱা ২৩ আগষ্টত অনুষ্ঠিত হয়। ভাৰতীয় জনতা পাৰ্টীৰ শুৱালকুছি মণ্ডলৰ সভাপতি ধীৰাজ মহন্তৰ সভাপতিত্বত ভাৰতীয় জনতা পাৰ্টীৰ শুৱালকুছি মণ্ডলৰ কাৰ্যালয়ত অনুষ্ঠিত সভাখনত মুখ্যমন্ত্ৰীৰ সুলভ ইন্ধন আঁচনিৰ প্ৰ-পত্ৰ বিতৰণ কৰে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীয়ে। মুখ্যমন্ত্ৰীৰ সুলভ ইন্ধন আঁচনিৰ প্ৰ-পত্ৰ বিতৰণ অনুষ্ঠানত উপস্থিত থাকি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীয়ে ভাষণ প্ৰসংগত কয় যে প্ৰতিখন খণ্ড উন্নয়ন এলেকাৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত অৰুণোদয় আঁচনি লাভ কৰা প্ৰতি গৰাকী হিতাধিকাৰীয়ে মুখ্যমন্ত্ৰীৰ সুলভ ইন্ধন আঁচনিৰ প্ৰ-পত্ৰ পূৰণ কৰি জমা দিব লাগিব আৰু ছেপ্তেম্বৰ মাহৰ ১৭ তাৰিখে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই আচঁনিৰ শুভ উদ্বোধন কৰাৰ পিছতে অক্টোবৰ মাহৰ পৰা প্ৰতি মাহত প্ৰতি গৰাকী অৰুণোদয় লাভ কৰা হিতাধিকাৰীয়ে ৰন্ধন গেছৰ বাবদ ২৫০ টকাকৈ ৰাজসাহায্য লাভ কৰিব বুলি কয়। শুৱালকুছি খণ্ড উন্নয়ন এলেকাৰ প্ৰতিখন গাঁও পঞ্চায়তৰ প্ৰতিগৰাকী অৰুণোদয় লাভ কৰা হিতাধিকাৰীৰ বিপৰীতে এখনকৈ এই প্ৰ-পত্ৰ বিতৰণ কৰা হয়। মুখ্যমন্ত্ৰীৰ সুলভ ইন্ধন আঁচনিৰ প্ৰ-পত্ৰ বিতৰণ অনুষ্ঠানত ভাৰতীয় জনতা পাৰ্টীৰ অনুসূচিত জাতি মৰ্চাৰ ৰাজ্যিক উপ-সভাপতি প্ৰকাশ চন্দ্ৰ দাস, বিশিষ্ট চিকিৎসক ডাঃ বেদব্ৰত পাঠক, যুৱ নেতা বলেন ৰাজবংশী, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ব্যক্তিগত সহায়ক প্ৰণৱ বৰ্মন, ভাৰতীয় জনতা পাৰ্টীৰ শুৱালকুছি মণ্ডলৰ সাধাৰণ সম্পাদক দুলু দাস আদি উপস্থিত আছিল।

# বহিঃৰাজ্যত উদ্ভাসিত গুৰুজনাৰ অপূৰ্ব সৃষ্টিৰাজি

## ভাদ মাহ উপলক্ষে হৰিনামৰ ধ্বনিৰে মুখৰিত অৰুণাচলৰ আকাশ-বতাহ



**জয়ন্ত মুদৈ, নগাঁও ঃ** ৰাজ্যৰ সৰ্বত্ৰে এতিয়া ভাদ মাহৰ উৎসাহ-উদ্দীপনা। অসমীয়াৰ মাজত দেখা গৈছে ভাদ মাহৰ এক সুকীয়া মাদকতা। এই ভাদ মাহটো অসমীয়া সমাজে অতীজৰে পৰা পৱিত্ৰ মাহ হিচাপে গণ্য কৰি আহিছে। সেয়ে গোটেই ভাদ মাহটোত প্ৰতিদিনে ব্যস্ততাৰ মাজতো অলপমান সময় উলিয়াই ৰাইজে পৰম আন্তৰিকতাৰে নাম-কীৰ্তনত মত্ত হৈ ভক্তি ৰস পান কৰে। তদ্ৰুপ এইবাৰো জাতীয় পৰম্পৰা তথা পৌৰাণিক আচাৰ-ৰীতি অক্ষুন্ন ৰাখি ভক্তপ্ৰাণ ৰাইজৰ দ্বাৰা পৰিৱেশিত খোল-তাল-ডবা-নাগাৰা আৰু হৰিনামৰ মাংগলিক ধ্বনিৰ সমাহাৰে মুখৰিত হৈ পৰিছে প্ৰতিটো নামঘৰ। পিছে ভাদ মাহৰ এনে মাদকতা কেৱল এতিয়া অসমতে সীমাবদ্ধ থকা নাই। পৱিত্ৰ ভাদ মাহৰ মাদকতা বিয়পি পৰিছে বহিঃৰাজ্য অৰুণাচল প্ৰদেশটো। ফলত অসমৰ সীমামূৰীয়া ৰাজ্যখনতো উদ্ভাসিত হৈছে গুৰুজনাৰ অপূৰ্ব সৃষ্টিৰাজি। আচলতে, উত্তৰ-পূবৰ সাতোখন ৰাজ্য সামৰি অৰুণাচল প্ৰদেশত গঢ়ি উঠা কেন্দ্ৰীয় চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অন্যতম শিক্ষা প্ৰতিষ্ঠান 'নেৰিষ্ট'ৰ চৌহদত বৰ্তমান উদ্ভৱ হৈছে অসমীয়াৰ পৱিত্ৰ ভাদ মাহকেন্দ্ৰিক পৰিৱেশৰ। কিয়নো, এই শিক্ষা প্ৰতিষ্ঠানখনৰ চৌহদত অৱস্থিত অসমীয়া নামঘৰত দেওবাৰে পৱিত্ৰ ভাদমাহ উপলক্ষে দিনযোৰা কাৰ্যসূচীৰে এক আধ্যাত্মিক অনুষ্ঠানৰ আয়োজন কৰা হয়। যাৰ ফলত হৰি নামৰ অমল ধ্বনিৰে চৌদিশ মুখৰিত হৈ পৰে অৰুণাচলৰ আকাশ-বতাহ। মুঠতে একপ্ৰকাৰে ভাদ মাহৰ এই নাম-কীৰ্তনৰ জৰিয়তে অসমৰ বাহিৰত থাকিও গুৰুজনাৰ কলা-কৃষ্টিৰ চৰ্চাৰে এক মনোমোহা পৰিৱেশৰ সূচনা কৰে সকলোৱে।

# শিঙিয়া পোটনীত বিনামূলীয়া স্বাস্থ্য আৰু চকু পৰীক্ষা শিবিৰ



**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** নগাঁও জিলাৰ শিঙিয়া পোটনী অৱসৰপ্ৰাপ্ত নাগৰিক মঞ্চৰ উদ্যোগত আৰু জিলা স্বাস্থ্য সঞ্চালক কাৰ্যালয়ৰ সহযোগত শিঙিয়া পোটনী উচ্চমাধ্যমিক বিদ্যালয়ত বিনামূলীয়া চকু আৰু স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত হয়। এই উপলক্ষে বিদ্যালয়খনত এক উদ্বোধনী আৰু স্বাস্থ্য সজাগতা সভা অনুষ্ঠিত হয়। মঞ্চৰ সভাপতি পুষ্পেন্দ্ৰ নাথ বৰাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত বিনামূলীয়া চিকিৎসা শিবিৰ উদ্বোধন কৰে নগাঁও জিলাৰ অতিৰিক্ত উপায়ুক্ত সুদীপ নাথ। ভাষণত অতিৰিক্ত উপায়ুক্ত গৰাকীয়ে দৰিদ্ৰ ৰাইজৰ কল্যাণৰ হকে নাগৰিক মঞ্চই এনে বিনামূলীয়া চিকিৎসা শিবিৰ অনুষ্ঠিত কৰাৰ বাবে শলাগ লয়। মঞ্চৰ সম্পাদক ফুলধৰ হাজৰিকাই আঁতধৰা সভাখনত জিলা প্ৰকল্প পৰিচালক ডাঃ গালিব আহমেদে ৰাষ্ট্ৰীয় অন্ধতা নিয়ন্ত্ৰণ আঁচনিৰ জৰিয়তে কেনেকৈ দৃষ্টিশক্তি পুনৰুদ্ধাৰ কৰিব পাৰি সেই সম্পৰ্কে ভাষণত বহলাই কয়। বিনামূলীয়া স্বাস্থ্য আৰু চকু পৰীক্ষা শিবিৰত তিনি শতাধিক ৰোগীক চিকিৎসাসেৱা আগবঢ়ায় ডাঃ ভায়লিনা দাস, ডাঃ ই. এম. ইৰফান, ডাঃ চাহিদুল ইছলাম, ডাঃ বেদান্ত বৰা আৰু ডাঃ ডিম্বেশ্বৰ কোঁৱৰে। উক্ত স্বাস্থ্য শিবিৰত নগাঁৱৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ তপন শইকীয়াৰ লগতে মঞ্চৰ বিষয়ববীয়া আৰু সদস্যসকল উপস্থিত থাকে।

# কৈৱৰ্ত সম্ৰাট মহাৰাজ পৃথুৰ নামত উৰণ সেতু ঘোষণা

## অসম কেবিনেটক ধন্যবাদ অনুসূচিত জাতি ছাত্ৰ সন্থাৰ

**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** অসম কেবিনেটে অতি শেহতীয়াকৈ গুৱাহাটী মহানগৰৰ জি এন বি পথত নিৰ্মাণ হোৱা ৰাজ্যৰ আটাইতকৈ দীঘলীয়া উৰণ সেতুখনৰ নাম 'মহাৰাজা পৃথু উৰণ সেতু' হিচাপে নামাংকিত কৰাৰ সিদ্ধান্তই সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থাক সুখী কৰিছে। সংবাদ মধ্যমলৈ এক প্ৰেছ বিবৃতি প্ৰেৰণ কৰি সন্থাৰ সাধাৰণ সম্পাদক পৰশ জ্যোতি দাসে উল্লেখ কৰে যে, নালন্দা বিশ্ববিদ্যালয় ধ্বংস কৰি কামৰূপৰ প্ৰাচীন সভ্যতাক নিশ্চিহ্ন কৰিবলৈ বিচাৰিছিল বখতিয়াৰ খিলজীয়ে। কিন্তু ভাৰতৰ আত্মাক ধ্বংস কৰিবলৈ তেওঁ ব্যৰ্থ হৈছিল। কাৰণ কামৰূপৰ সম্ৰাট পৃথুৱে তেওঁৰ ওপৰত বজ্ৰাঘাত কৰি প্ৰতিশোধ লৈছিল। তাৰ পাছতেই বিভিন্ন প্ৰদেশ নিৰন্তৰভাৱে জয়ী হৈ অহা বখতিয়াৰৰ আক্ৰমণ কামৰূপত অন্ত পৰিছিল। প্ৰাচীন কামৰূপত ১২০৬ খ্ৰীষ্টাব্দত কামৰূপৰ কৈৱৰ্ত ৰাজ পৃথুৰ হাতত প্ৰৱল প্ৰতাপী বখতিয়াৰ খিলজীৰ পতনে অসম তথা ভাৰতৰ বুৰঞ্জীক চহকী কৰিছিল। এই বীৰত্ব গাথাক সন্মান জনাবলৈ অসম কেবিনেটে অতি শেহতীয়াকৈ গুৱাহাটী মহানগৰৰ জি এন বি পথত নিৰ্মাণ হোৱা ৰাজ্যৰ আটাইতকৈ দীঘলীয়া উৰণ সেতুখনৰ নাম 'মহাৰাজা পৃথু উৰণ সেতু' হিচাপে নামাংকিত কৰাৰ সিদ্ধান্ত লৈছে। এই সিদ্ধান্তক সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থাই আদৰণি জনাইছে।

# নগাঁও জিলা সাহিত্য সভাৰ উপদেষ্টা ভৱেশ মেধিৰ বিয়োগত নগাঁৱৰ বৌদ্ধিক সমাজ মৰ্মাহত



**ৰাজীৱ হাজৰিকা, নগাঁও ঃ** নগাঁও জিলা সাহিত্য সভাৰ বৰ্তমানৰ উপদেষ্টা, প্ৰাক্তন উপ-সভাপতি, অসম সাহিত্য সভাৰ একনিষ্ঠ সেৱক, লেখক ভৱেশ মেধি যোৱা ৰাতি ১০-৫৭ বজাত গুৱাহাটীৰ নেমকেয়াৰ চিকিৎসালয়ত শেষ নিশ্বাস ত্যাগ কৰে। ৮৩ বছৰীয়া মেধিয়ে দুখন গ্ৰন্থ আৰু শতাধিক প্ৰৱন্ধ লিখি থৈ অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। অসম সাহিত্য সভাৰ সংগঠন শক্তিশালী কৰাত বিশেষ ভূমিকা লোৱা মেধিৰ মৃত্যুত নগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড° শৰৎ বৰকটকী আৰু সম্পাদক ৰাজীৱ কুমাৰ হাজৰিকাই গভীৰ শোক প্ৰকাশ কৰে আৰু নগাঁও জিলাৰ বৌদ্ধিক সমাজৰ বাবে অপূৰণীয় ক্ষতি বুলি অভিহিত কৰে। নগাঁও জিলা সাহিত্য সভাই মেধিৰ বিদেহ আত্মাৰ চিৰ শান্তিৰ প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। পুৱা মেধিৰ নশ্বৰদেহ জিলা সাহিত্য সভাৰ কাৰ্যালয়লৈ অনা হয় আৰু শেষ শ্ৰদ্ধা জ্ঞাপন কৰা হয়। জিলা সাহিত্য সভাৰ সহকাৰী সম্পাদক প্ৰিয়ঙ্কু শৰ্মাই আঁত ধৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অসম সাহিত্য সভাৰ উপসভাপতি পদুম ৰাজখোৱা, সাংগঠনিক সম্পাদক নিত্যানন্দ বৰা, প্ৰতাপ হাজৰিকা, অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য তথা প্ৰাক্তন জিলা সভাপতি থগিত মহন্ত আদিকে ধৰি সাহিত্য সভাৰ কৰ্মকৰ্তাসকলে ভাগ লয়। মেধি নগাঁও চৰকাৰী পেঞ্চনাৰ সংস্থাৰ সভাপতিৰ দায়িত্বতো আছিল। নগাঁও চৰকাৰী পেঞ্চনাৰ সংস্থাৰ বিষয়ববীয়াসকলেও শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত মেধি ডাঙৰীয়াই পত্নীৰ উপৰিও এগৰাকী পুত্ৰ, এগৰাকী জীয়াৰী, বোৱাৰী, নাতিনী এৰি থৈ গৈছে।

# শ্ৰীমন্ত শংকৰদেৱ সংঘ থ্ৰিফট এণ্ড ক্ৰেডিট কো- অপাৰেটিভ ছ'চাইটি লিমিটেডৰ বাৰ্ষিক সাধাৰণ সভা


**বিশেষ সংবাদদাতা, নগাঁও ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বিত্তীয় প্ৰতিষ্ঠান শ্ৰীমন্ত শংকৰদেৱ সংঘ থ্ৰিফট এণ্ড ক্ৰেডিট কো - অপাৰেটিভ ছ'চাইটি লিমিটেডৰ একাদশ বাৰ্ষিক সাধাৰণ সভা ৩১ আগষ্টত সংঘৰ নগাঁও চহৰস্থ মূল কাৰ্যালয়ত অনুষ্ঠিত হ'ব। সেই দিনা পুৱা ১১ বজাৰ পৰা এই সাধাৰণ সভা অনুষ্ঠিত হ'ব। সভা উদ্বোধন কৰাৰ পিছত বিগত সভাৰ কাৰ্যবিৱৰণী পাঠ, সভাপতিৰ অভিভাষণ পাঠ, পৰিচালন সঞ্চালকৰ প্ৰতিবেদন পাঠ আদি সম্পন্ন হ'ব। ইয়াৰ পিছতে ২০২৪ - ২৫ বিত্তীয় বৰ্ষৰ বিভাগীয় আভ্যন্তৰীণ হিচাপ পৰীক্ষকৰ পৰিক্ষীত হিচাপ দাখিল, আগন্তুক ২০২৫ - ২৬ বিত্তীয় বৰ্ষৰ সমিতিৰ সাম্ভাব্য আয়-ব্যয়ৰ খতিয়ান দাখিল, বাৰ্ষিক দিনপঞ্জী আৰু কৰ্ম আঁচনি গ্ৰহণ, সমিতিৰ অংশীদাৰসকলৰ মতামত গ্ৰহণ, ঋণৰ সৰ্বোচ্চ সীমা নিৰ্ধাৰণ, সঞ্চালক মণ্ডলীৰ সভাই গ্ৰহণ কৰা প্ৰস্তাৱৰ অনুমোদন আৰু লাভাংশ বিতৰণৰ ওপৰত আলোচনা আদি হ'ব। সাধাৰণ সভা সফল কৰি তুলিবলৈ ছ'চাইটিৰ সভাপতি হৰেন্দ্ৰ বৰা আৰু পৰিচালন সঞ্চালক মমতা বৰকাকতিয়ে সংশ্লিষ্ট সংগীসকলক আহ্বান জনাইছে।

# ওডালগুৰি খৈৰাবাৰীত দ্যা নৰ্থ ইষ্ট মঙ্গলিয়ান ফৰ্মৰ সবল কমিটি গঠন



**চন্দন শৰ্মা, তেজপুৰ ঃ** ওডালগুৰি জিলাৰ বড়ো, ৰাভা, গাৰো, কোঁচ আৰু লিম্বু সম্প্ৰদায় লোকৰ বসতিস্থল খৈৰাবাৰীৰ শ্বহীদ বড়োলেণ্ড উদ্যানত শনিবাৰে দ্যা নৰ্থ-ইষ্ট মঙ্গলিয়ান ফৰ্মৰ এখন সবল কমিটি গঠন কৰা হয়। সংস্থাটোৰ কমিটিখন একত্ৰিশ জনীয়া সদস্যৰে অন্তৰ্ভুক্ত কৰি গঠিত কৰা হয়। কাৰ্যসূচী মৰ্মে প্ৰথমে বড়ো সম্প্ৰদায়সকলৰ অভিভাৱকস্বৰূপ প্ৰয়াত উপেন্দ্ৰ নাথ ব্ৰহ্মৰ প্ৰতিমূৰ্তিৰ কাষত বন্তি প্ৰজ্বলনৰে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰি গভীৰ শোক প্ৰকাশ কৰে । বন্তি প্ৰজ্বলন কৰে সংস্থাটোৰ কেন্দ্ৰীয় কমিটিৰ সাধাৰণ সম্পাদক অনিতা এন্তনি মেচে। তাৰপিছতে সংস্থাটোৰ কেন্দ্ৰীয় কমিটিৰ সভাপতি প্ৰতাপ বৰ্মণৰ সভাপতিত্বত অনুষ্ঠিত হয় এখনি সাধাৰণ সভা। উক্ত সাধাৰণ সভাত একত্ৰিশ জনীয়া এখন সবল কমিটি গঠন কৰাৰ লগতে বহুকেইটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত আলোচনাৰ জৰিয়তে গ্ৰহণ কৰে। সভাত বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰে মানৱ অধিকাৰ অসম আয়োগৰ সঞ্চালক তথা সংস্থাৰ কেন্দ্ৰীয় কমিটিৰ উপ-সম্পাদক ড° পৰশমণি সিংহ, কেন্দ্ৰীয় কমিটিৰ কাৰ্যকৰী সভাপতি বিপ্লৱ চাংমা, কেন্দ্ৰীয় কমিটিৰ সাধাৰণ সম্পাদক অনিতা এন্তনি মেচ, কেন্দ্ৰীয় কমিটিৰ পৰিচালন সম্পাদক বসন্ত লিম্বুৰ লগতে বহুকেইজন গণ্য মান্য ব্যক্তি। দ্যা নৰ্থ-ইষ্ট মঙ্গলিয়ান ফৰ্ম সংস্থাটোৰ মূল লক্ষ্য আৰু উদ্দেশ্য হ'ল সকলো পাহাৰীয়া ট্ৰাইবেল লোকৰ লগতে বড়ো, কোঁচ, কাৰ্বি, লিম্বু, ৰাভা, গাৰো সম্প্ৰদায়ৰ লগতে সকলো ট্ৰাইবেল লোকসকলৰ ভূমি সংৰক্ষণ, ভূমি অধিকাৰৰ লগতে তেওঁলোকৰ বিভিন্ন সমস্যাৰ সন্দৰ্ভত মাত মাতি অহাৰ লগতে সু-পৰামৰ্শ দিয়াৰ। শনিবাৰে সংস্থাটোৰ হৈ খৈৰাবাৰীত গঠন কৰা একত্ৰিশ জনীয়া সবল কমিটিখনত মুখ্য উপদেষ্টা হিচাপে ড° হেমচন্দ্ৰ কছাৰী, ধীৰেন বসুমতাৰী, মহেশ্বৰ বসুমতাৰী, ভূপেন বড়ো, সভাপতি বিপিন নাৰ্জাৰী, উপ সভাপতি মানৱ বৰ্মন, সাধাৰণ সম্পাদক দেৱজিত বড়ো, সহকাৰী সম্পাদক শংকৰ কচাৰ, আইতা চুব্বা, ৰোহিত ৰাভা, গৌম্বোৰ মুছাহাৰী, নাৰায়ন বিশ্বাস, অঞ্চুমা বসুমতাৰীকে লৈ বহুকেইজন সদস্যক নিৰ্বাচিত কৰি সবল কমিটিখন গঠিত হয়।

# চাৰিঙৰ শ্বহীদ মণিৰাম দেৱান মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় মহাকাশ দিৱস সফলতাৰে উদ্‌যাপন



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** ঐতিহ্যমণ্ডিত শিৱসাগৰ জিলাৰ অন্তৰ্গত চাৰিঙৰ শ্বহীদ মণিৰাম দেৱান মহাবিদ্যালয়ত ২৩ আগষ্ট, শনিবাৰে NCC Unit আৰু IQAC1 উদ্যোগত ৰাষ্ট্ৰীয় মহাকাশ দিৱস (National Space Day) উদ্‌যাপন কৰা হয় । ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰীয়ে গত ২০২৪ চনৰ ২৩ আগষ্টত উক্ত দিনটোৰ পৰা চন্দ্ৰযান-৩ সফল অৱতৰণৰ দিনটো ৰাষ্ট্ৰীয় মহাকাশ দিৱস হিচাপে পালন কৰাত গুৰুত্ব প্ৰদান কৰে। সেইমৰ্মেই শ্বহীদ মণিৰাম দেৱান মহাবিদ্যালয়তো অধ্যক্ষ ড° বিদ্যানন্দ বৰকাকতীয়ে শুভাৰম্ভ কৰা অনুষ্ঠানটোত অধ্যাপক ড° ৰবি কুমাৰ ঝাই নিৰ্ধাৰিত বিষয়ৰ ওপৰত সমল ব্যক্তি হিচাপে বক্তৃতা প্ৰদান কৰে। আনহাতে মহাবিদ্যালয়ৰ NCC গোটৰ অফিচাৰ অধ্যাপিকা ৰূপালী বড়োৱে আঁত ধৰা অনুষ্ঠানটোৱে মহাবিদ্যালয় পৰিয়ালৰ সকলোৰে উপস্থিতিত সামগ্ৰিক সফলতা লাভ কৰে।

# বংশৰ শংকৰদেৱ শিশু-বিদ্যা নিকেতনৰ ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠানত স্মৃতিগ্ৰন্থ উন্মোচন নন্দ সিং বৰকলাৰ

## ভাৰতীয় দৰ্শন,সভ্যতাৰ ওপৰত বক্তৃতা প্ৰদান কৰে নন্দ সিং বৰকলাই




**ৰমেন ভৰালী, বংশৰ ঃ** কামৰূপ জিলাৰ সদৌ বংশৰত প্ৰতিষ্ঠা লাভ কৰা, সকলোৰে আস্থাৰ সংস্কাৰমূলক শিক্ষানুষ্ঠান শংকৰদেৱ শিশু-বিদ্যা নিকেতন, বংশৰৰ সুৱৰ্ণ যাত্ৰা অতিক্ৰম কৰি ৰূপালী জয়ন্তী বৰ্ষত পদাৰ্পণ কৰি ৰূপালী জয়ন্তী বৰ্ষৰ শুভাৰম্ভ অনুষ্ঠান দুদিনীয়া কাৰ্যসূচীৰে যোৱা ১১ আৰু ১২ জানুৱাৰীত বৰ্ণাঢ্য কাৰ্যসূচীৰে সফলতাৰে অনুষ্ঠিত হৈ যোৱাৰ পিছত যোৱা ২৪ আগষ্টত ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠানৰ মুকলি সভাৰ লগতে স্মৃতিগ্ৰন্থ 'বিদ্যাশংকৰ' উন্মোচন কৰে বিশিষ্ট কবি, সাহিত্যিক ড° নন্দ সিং বৰকলাই। শংকৰদেৱ শিশু-বিদ্যা নিকেতন, বংশৰৰ পৰিচালনা সমিতিৰ সভাপতি দিগাম্বৰ নাথৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত আদৰণি ভাষণ আৰু সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বিদ্যালয়ৰ প্ৰধান আচাৰ্য্য ৰঞ্জিত ডেকাই। বিশিষ্ট কবি, শিক্ষক নিত্যানন্দ নাথে আতধৰা মুকলি সভাত নিত্যানন্দ নাথ আৰু মন্টু গোস্বামীৰ সম্পাদনাত প্ৰকাশিত স্মৃতিগ্ৰন্থ 'বিদ্যাশংকৰ' উন্মোচন কৰি বিশিষ্ট কবি, সাহিত্যিক ড° নন্দ সিং বৰকলাহই ভাৰতীয় দৰ্শন, সভ্যতাৰ ওপৰত বক্তৃতা প্ৰদান কৰি তেখেতে ভাষণ প্ৰসংগত কয় যে অসমৰ জাতীয় জীৱনৰ পূৰুধা ব্যক্তি শংকৰদেৱ আৰু মাধৱদেৱৰ অমৰ সৃষ্টি, অসমীয়া জাতিৰ হেৰোৱাব নোৱাৰা সোণৰ অলংকাৰ 'বৰগীত', এই বৰগীত পৃথিৱীৰ ভিতৰতে সৰ্ব্বোচ্চ শ্ৰেষ্ঠ সংগীত বুলি অভিহিত কৰি ইয়াক শ্ৰেষ্ঠ সংগীত হিচাপে পৰিগণিত হওঁক তাক ভাৰতীয় সংগীত অকাডেমীয়ে স্বীকৃতি প্ৰদান কৰাৰ পোষকতা কৰে। ভাষণ প্ৰসংগত তেখেতে আৰু কয় যে অসমীয়া জাতীয় জীৱনৰ বস্ত্ৰ কলা পাট কাপোৰ আটাইতকৈ মূল্যৱান। এই পাট কাপোৰ ক'ৰ পৰা তৈয়াৰ হয় 'কীট পতংগ'ৰ পৰা, আমাৰ জাতীয় ফুল 'পদুম ফুল' ক'ৰ পৰা জন্ম হয় 'বোকাৰ পৰা', 'চন্দন' ক'ৰ পৰা উৎপন্ন হয় জংঘলৰ পৰা হয় বুলি ভাষণ প্ৰসংগত ছাত্ৰ-ছাত্ৰক উদ্দেশ্যেৰে কয়। মুকলি সভাত নিদিষ্ট বক্তা হিচাপে সোণাপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° মণিৰাম কলিতা, সন্মানীয় অতিথি হিচাপে বিশিষ্ট সমাজকৰ্মী তথা মাহেকীয়া সংস্কৃতিৰ দাপোনৰ মুখ্য সম্পাদক 'সমাজ ৰত্ন' দীনমণি ভাণ্ডাৰ কায়স্থ, অধিবক্তা মৃদুল মালাকাৰ আদি উপস্থিত থাকি ভাষণ দিয়ে। অনুষ্ঠানত অসম চৰকাৰৰ মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া তথা ৰূপালী জয়ন্তী বৰ্ষৰ সভাপতি হিচাপে হেমন্ত চৌধুৰী উপস্থিত থাকে। মুকলি সভাৰ আগতে শংকৰদেৱ শিশু-বিদ্যা নিকেতন, বংশৰৰ ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠান উপলক্ষে পুৱা বংশৰ অঞ্চলৰ বিশিষ্ট ২৪জনৰ ব্যক্তিৰ দ্বাৰা পতাকা উত্তোলন কৰাৰ লগতে নিকেতনৰ মূল পতাকাখন উত্তোলন কৰে বংশৰ শংকৰদেৱ শিশু-বিদ্যা নিকেতন পৰিচালনা সমিতিৰ সভাপতি দিগাম্বৰ নাথে। পুৱা গছপুলি ৰোপণ কৰাৰ লগতে, বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে উত্তৰ কামৰূপ জিলাৰ ভাৰতীয় জনতা পাৰ্টীৰ অনুসূচিত জনজাতি মৰ্চাৰ সভাপতি ৰাজীৱ দাসে। নিকেতনৰ প্ৰাচীৰ পত্ৰিকা 'ৰেঙণি' উন্মোচন কৰে শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক অতুল চন্দ্ৰ দাসে, মুকলি সভাত নিকেতনৰ পৰা পৰিচালিত সমৱেত সংগীত পৰিৱেশন কৰা হয়। বিয়লি প্ৰীতিভোজন, স্বচ্ছতা অভিযান আৰু সম্বৰ্ধনা অনুষ্ঠানৰ লগতে প্ৰতিযোগিতাৰ পুৰস্কাৰ বিতৰণ, সন্ধিয়া বন্তি প্ৰজ্বলন আৰু সাংস্কৃতিক সন্ধিয়াৰ জৰিয়তে অনুষ্ঠানৰ সামৰণি পৰে।

# আধুনিক অসমীয়া সংগীত জগতত নতুন সংযোজন ঃ সেউজীয়া গান




**জয়ন্ত মুদৈ, নগাঁও ঃ** প্ৰকৃতি আৰু মানুহৰ মাজত আছে এক নিবিড় সম্পৰ্ক। মানৱ সমাজ সুস্থিৰভাৱে জীয়াই থাকিবলৈ লাগিব প্ৰকৃতিৰ অৱদান। এক কথাত মানুহৰ জীৱন প্ৰক্ৰিয়াত প্ৰকৃতিৰ সহযোগিতা অপৰিসীম। সেয়ে আমি প্ৰকৃতিৰ সুৰক্ষাৰ বাবে সকলোৱে গুৰুত্ব আৰোপ কৰিব লাগে। সেই হেতু প্ৰকৃতিৰ সুৰক্ষাৰ বাবে সজাগতাৰ সৃষ্টি কৰাটো অতি প্ৰয়োজনীয়। দেখা গৈছে প্ৰকৃতিৰ সুৰক্ষাৰ বাবে সময়ে সময়ে নানা পদক্ষেপ গ্ৰহণ কৰি অহা হৈছে। ইয়াৰ মাজতে এইবাৰ গীতৰ মাধ্যমেৰে প্ৰকৃতি সজাগতাৰ বাবে প্ৰয়াস চলাইছে কেইজনমান উদ্যমী সংগীত শিল্পীয়ে। আচলতে, প্ৰায় এশ বছৰীয়া আধুনিক অসমীয়া সংগীত জগতত প্ৰেম বিৰহ, প্ৰকৃতি প্ৰেম, আধ্যাত্মিক, দেশপ্ৰেম, বৈপ্লৱিক, সামাজিক আদি অনেক বিষয়ৰ গানৰ সৃষ্টি হৈছে যদিও প্ৰকৃতি সজাগতামূলক গীতৰ চৰ্চা ঘাইকৈ শুনিবলৈ পোৱা নাযায়। সেয়ে এনে গীতৰ অভাৱৰ মাজতে শেহতীয়াভাৱে সংগীত জগতত নতুনকৈ সংযোজন ঘটিছে প্ৰকৃতি সজাগতামূলক এটি গীতৰ। মাসাগৰিনা প্ৰডাকচনৰ নিবেদিত 'সেউজীয়া গান' শীৰ্ষক এই গীতটি ব্যতিক্ৰমী চিন্তাৰে মূলতঃ প্ৰকৃতি সুৰক্ষাৰ দিশটোক আধাৰ হিচাপে লৈ সৃষ্টি কৰা হৈছে। জানিব পৰা মতে, নিজৰ প্ৰতিভাৰ বলত মুম্বাইত খোপনি পুতিবলৈ সক্ষম হোৱা সংগীত শিল্পী ৰাজ জ্যোতি কোঁৱৰৰ কণ্ঠ আৰু সুৰেৰে সজোৱা এই গীতটিৰ কথা নগাঁৱৰ বিশিষ্ট কবি সঞ্জীৱ সাগৰ চৌধুৰীৰ। প্ৰতিভাৱান কণ্ঠ শিল্পী কুমাৰ কিশোৰে সহযোগী শিল্পী হিচাপে কণ্ঠদান কৰা গীতটিৰ সংগীত ব্যৱস্থাপনা চন্দন মহন্ত। তদুপৰি গীতটিৰ ব্যৱস্থাপনা আৰু কাৰিকৰী দিশত সহযোগিতা আগবঢ়াইছে ৰাজ জ্যোতি কোঁৱৰ, মুকুল বৰা, নিৰূপম বৰা, নিলোৎপল আৰু মাইনাই। উল্লেখ্য যে, ইতিমধ্যে ইউটিউবৰ জৰিয়তে শুভমুক্তি দিয়া ব্যতিক্ৰমী এই গীতটিয়ে শ্ৰোতাৰ সহাঁৰি লাভ কৰিবলৈ সক্ষম হোৱা দেখা গৈছে।

ASDMA AIRBMP
Assam Integrated River Basin Management Program

সত্যমেৱ জয়তে
অসম চৰকাৰ

অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ

অসমৰ নদী অৱবাহিকা সুসংহতকৰণ ব্যৱস্থাপনা কাৰ্যসূচীৰ অধীনত
অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ

# নিবিদা আৰু আগ্ৰহ প্ৰকাশৰ অভিব্যক্তি



সমগ্ৰ অসমত দুৰ্যোগ ব্যৱস্থাপনা প্ৰস্তুতি শক্তিশালী কৰাৰ বাবে যোগ্য সংস্থা, ঠিকাদাৰ আৰু কন্সালটেন্সিবোৰে নিবিদাৰ বাবে আবেদন কৰিব পাৰে

## চক্ৰ দুৰ্যোগ ব্যৱস্থাপনা

### সামগ্ৰী আৰু সঁজুলি

**অসামৰিক কামৰ ক্ৰয় – চি কিউ আৰ টি সামগ্ৰী ভঁৰাল**

| ক্ৰমিক নং | জিলা | চক্ৰ |
|---|---|---|
| ১ | বৰপেটা | (i) বৰনগৰ |
| ২ | গোলাঘাট | (ii)গোলাঘাট, (iii) দেৰগাঁও, (iv) খুমটাই |
| ৩ | মাজুলী | (v) উজনি মাজুলী |
| ৪ | লখিমপুৰ | (vi) ঢকুৱাখনা (vii) নাওবৈচা |
| ৫ | শিৱসাগৰ | (viii) নাজিৰা, (ix) শিৱসাগৰ |
| ৬ | কাছাৰ | (x) কাটিগড়া |
| ৭ | ডিমা হাচাও | (xi) মাইবং |

৭ খন জিলা
১১ টা চক্ৰ

- *Ref.* IN-ASDMA-503260-CW-RFB
  **অন্তিম তাৰিখঃ** ২৬/০৮/২০২৫, বিয়লি ৩:০০ বজা

**৪০০ গৰাকী চি কিউ আৰ টি সদস্যৰ বাবে জৰুৰীকালীন সঁহাৰি কিট যোগান**
৫০ টা চি কিউ আৰ টিৰ মাজত (প্ৰথম পৰ্যায়ত)
*Ref.* IN-ASDMA-494822-GO-RFQ
**অন্তিম তাৰিখঃ** ০৪/০৯/২০২৫, বিয়লি ৩:০০ বজা

### প্ৰশিক্ষণ আৰু ক্ষমতা বৰ্ধন

**চি কিউ আৰ টি প্ৰশিক্ষণৰ বাবে খাদ্য যোগান এজেন্সীৰ নিযুক্তি**
**স্থানঃ** কেন্দ্ৰীয় প্ৰশিক্ষণ কেন্দ্ৰ, পানীখাইটি, গুৱাহাটী
*Ref.* IN-ASDMA-507448-NC-RFQ
**অন্তিম তাৰিখঃ** ১৮/০৯/২০২৫, দুপৰীয়া ১:০০ বজা
**প্ৰাক-নিবিদা বৈঠকঃ** ৩০/০৮/২০২৫, দুপৰীয়া ১২:০০ বজা

**কন্সালটিং সেৱা – চি কিউ আৰ টিৰ ক্ষমতা বৰ্ধন আৰু প্ৰশিক্ষণ**
সমগ্ৰ অসমত
*Ref.* IN-ASDMA-507446-CS-QCBS
**অন্তিম তাৰিখঃ** ১৭/০৯/২০২৫, দুপৰীয়া ১২:৩০ বজা
**প্ৰাক-নিবিদা বৈঠকঃ** ২৯/০৮/২০২৫, দুপৰীয়া ১২:০০ বজা

### প্ৰশিক্ষণ আন্তঃগাঁথনিৰ উন্নীতকৰণ

**অসামৰিক কাৰ্যৰ ক্ৰয় – কেন্দ্ৰীয় প্ৰশিক্ষণ কেন্দ্ৰৰ আন্তঃগাঁথনিৰ উন্নীতকৰণ**
**স্থানঃ** কেন্দ্ৰীয় প্ৰশিক্ষণ কেন্দ্ৰ, পানীখাইটি, গুৱাহাটী
*Ref.* IN-ASDMA-507425-CW-RFB
**অন্তিম তাৰিখঃ** ১৬/০৯/২০২৫, দুপৰীয়া ১২:০০ বজা
**প্ৰাক-নিবিদা বৈঠকঃ** ২৭/০৮/২০২৫, বিয়লি ৩:০০ বজা

চি কিউ আৰ টি হৈছে চক্ৰ দ্ৰুত সঁহাৰি দল

## অগ্ৰিম সতৰ্কবাণী প্ৰচাৰ ব্যৱস্থা

### ৰাজ্যিক জৰুৰীকালীন নিয়ন্ত্ৰণ কক্ষ নিৰ্মাণ

স্থানঃ গুৱাহাটী, কামৰূপ মহানগৰ
*Ref.* IN-ASDMA-496543-CW-RFB
**অন্তিম তাৰিখঃ** ২০/০৯/২০২৫, পুৱা ১১:৩০ বজা

### সংহত জৰুৰীকালীন ব্যৱস্থাপনা ব্যৱস্থা

*Ref.* IN-ASDMA-500416-CS-QCBS
**অন্তিম তাৰিখঃ** ২২/০৯/২০২৫, পুৱা ১১:৩০ বজা
**প্ৰাক-ই অ' আই বৈঠকঃ** ০১/০৯/২০২৫, পুৱা ১১:৩০ বজা

## বান আশ্ৰয় শিবিৰ

### নতুন বহুমুখী বান আশ্ৰয় গৃহ

| ক্ৰমিক নং | স্থান | জিলা | Ref. No. | অন্তিম তাৰিখ | প্ৰাক-নিবিদা বৈঠক |
|---|---|---|---|---|---|
| ১ | বহিখোৱা | গোলাঘাট | IN-ASDMA-507614-CW-RFB | ২০/০৯/২০২৫, পুৱা ১১:০০ বজা | ৩০/০৮/২০২৫, দুপৰীয়া ২:৩০ বজা |
| ২ | বেঙেনা কলিয়া | মাজুলী | IN-ASDMA-507616-CW-RFB | ২০/০৯/২০২৫, পুৱা ১১:৩০ বজা | |
| ৩ | ভেকুৰী চাপৰি | শিৱসাগৰ | IN-ASDMA-507620-CW-RFB | ২০/০৯/২০২৫, দুপৰীয়া ১২:০০ বজা | |
| ৪ | নাহৰকটীয়া পুৰণি কৈবৰ্ত গাঁও | ডিব্ৰুগড় | IN-ASDMA-507622-CW-RFB | ২০/০৯/২০২৫, দুপৰীয়া ১২:৩০ বজা | |
| ৫ | বছা শিমলু গাঁও | শোণিতপুৰ | IN-ASDMA-507624-CW-RFB | ২০/০৯/২০২৫, দুপৰীয়া ১:০০ বজা | |

### বিদ্যালয়সমূহৰ ৰেট্ৰ'ফিটিং আৰু অগমেণ্টেচন

| ক্ৰমিক নং | স্থান | জিলা | Ref. No. | অন্তিম তাৰিখ | প্ৰাক-নিবিদা বৈঠক |
|---|---|---|---|---|---|
| ১ | ৰাধাকুছি প্ৰাথমিক বিদ্যালয় | বৰপেটা | IN-ASDMA-508406-CW-RFB | ২২/০৯/২০২৫, দুপৰীয়া ১২:০০ বজা | ০৪/০৯/২০২৫, বিয়লি ৩:০০ বজা |
| ২ | পাটবাউসী হাইস্কুল | বৰপেটা | IN-ASDMA-508406-CW-RFB | ২২/০৯/২০২৫, দুপৰীয়া ১২:০০ বজা | |
| ৩ | তেলেনী প্ৰাথমিক বিদ্যালয় | বিশ্বনাথ | IN-ASDMA-508408-CW-RFB | ২২/০৯/২০২৫, দুপৰীয়া ১২:৩০ বজা | |
| ৪ | মুঙ্গীলাল কৃষ্ণাদেৱী বালিকা বিদ্যালয় | গোলাঘাট | IN-ASDMA-508410-CW-RFB | ২২/০৯/২০২৫, দুপৰীয়া ১:০০ বজা | |
| ৫ | বোকাখাত উচ্চতৰ মাধ্যমিক বিদ্যালয় | গোলাঘাট | IN-ASDMA-508410-CW-RFB | ২২/০৯/২০২৫, দুপৰীয়া ১:০০ বজা | |

নিবিদা আহ্বান আৰু আগ্ৰহ প্ৰকাশৰ অভিব্যক্তিসমূহ ২৫ জুলাই, ২০২৫-ৰ পৰা প্ৰকাশিত

EXCLUS VE/AB-25/AIRBMP-ASDMA

### আবেদন প্ৰক্ৰিয়া

- https://assamtenders.gov.in -ৰ পৰা নিবিদাৰ নথি ডাউনলোড কৰক
- জমা প্ৰক্ৰিয়া: কেৱল অনলাইন (ই-ক্ৰয় প'ৰ্টেলৰ জৰিয়তে)
- প্ৰয়োজনীয় নথি-পত্ৰ: বৈধ ডিজিটেল স্বাক্ষৰ প্ৰমাণ-পত্ৰ (DSC)
- সকলো নিবিদা/দস্তাবেজ কেৱল নিবিদা প'ৰ্টেলত উপলব্ধ হ'ব।

assamtenders.gov.in → Tenders by Organisation → Assam State Disaster Management Authority → Externally Aided Project

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us @diprassam dipr.assam.gov.in
অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

Janasanyog RO no 1795/25/29-August-25

# ৱৰ্ল্ড চেম্পিয়নছ অফ লেজেণ্ড ক্ৰিকেট প্ৰতিযোগিতাত পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ শক্তিশালী সিদ্ধান্ত

■ দেৱৰ্ষি গৌতম
বনগাঁও

ইংলেণ্ডত মুঠ ছয় খন দেশৰ ক্ৰিকেটৰ পৰা অৱসৰ গ্ৰহণ কৰা নিৰ্দিষ্ট কিছু খেলুৱৈক লৈ ৱৰ্ল্ড চেম্পিয়নছ অফ লেজেণ্ড ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছে। এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছে ভাৰত, পাকিস্তান, অষ্ট্ৰেলিয়া, ইংলেণ্ড, দক্ষিণ আফ্ৰিকা, ৱেষ্ট ইণ্ডিজ দলে। উক্ত আটাইকেইখন দেশৰে অৱসৰপ্ৰাপ্ত কিছু পৰিচিত খেলুৱৈৰ অংশগ্ৰহণে প্ৰতিযোগিতাখন ক্ৰিকেট অনুৰাগীৰ মাজত অধিক জনপ্ৰিয় কৰি তুলিছে। মূলত ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰা যুৱৰাজ সিং, সুৰেশ ৰাইনা, হৰভজন সিং আদিৰ দৰে প্ৰাক্তন তাৰকা ক্ৰিকেটাৰসকলক পুনৰ এবাৰ খেলপথাৰত প্ৰত্যক্ষ কৰাৰ হেঁপাহত ক্ৰিকেট অনুৰাগীসকল আনন্দিত হৈ পৰা পৰিলক্ষিত হয়। ৱৰ্ল্ড চেম্পিয়নছ অফ লেজেণ্ড ক্ৰিকেট প্ৰতিযোগিতাৰ এইটো দ্বিতীটো সংস্কৰণ। প্ৰথম সংস্কৰণত ভাৰতীয় দলটোৱে বিজয়ী হ'বলৈ সক্ষম হৈছিল। চলিত দ্বিতীয় সংস্কৰণটো ভাৰতীয় দলটোৰ পৰা ক্ৰিকেট অনুৰাগীসকলে অনুৰূপ প্ৰদৰ্শন আশা কৰিছিল। কিন্তু অনুৰাগীৰ আশাৰ বিপৰীতে ভাৰতীয় দলটোৱে কিন্তু চলিত সংস্কৰণত চূড়ান্ত খেললৈ যোগ্যতা অৰ্জন কৰা ব্যৰ্থ হয়। এইখিনিতে আটাইতকৈ উল্লেখনীয় কথাটো হৈছে যে প্ৰথম সংস্কৰণত ভাৰতীয় দলটোৱে চূড়ান্ত খেলখনত বিজয়ী হোৱাৰ পিছত ক্ৰিকেট অনুৰাগীসকল যিমান আনন্দিত হৈছিল তাৰ পৰিৱৰ্তে কিন্তু চলিত সংস্কৰণত ভাৰতীয় দলটোৱে চেমিফাইনেল পৰ্যায়ৰ পৰা বিদায় লোৱাৰ পিছতো ক্ৰিকেট অনুৰাগীসকল অধিক উৎসাহিত, উৎফুল্লিত আৰু গৌৰৱ অনুভৱ কৰা পৰিলক্ষিত হৈছে। আচলতে ৱৰ্ল্ড চেম্পিয়নছ অফ লেজেণ্ড ক্ৰিকেট প্ৰতিযোগিতা গ্ৰুপ পৰ্যায়ৰ এখন খেল পাকিস্তানৰ বিৰুদ্ধে খেলিবলৈ ভাৰতীয় দলটোৱে অমান্তি হোৱাৰ পিছত সেই খেলখন বাতিল হৈছিল। তাৰ পিছত অন্য দল সমূহৰ বিৰুদ্ধে ভাৰতীয় দলটোৱে প্ৰতিযোগিতাখনত খেলিছিল আৰু অৱশেষত চেমিফাইনেল পৰ্যায়লৈকে উন্নীত হৈছিল। কিন্তু আটাইতকৈ ডাঙৰ কথাটো হ'ল, এই প্ৰতিযোগিতাখনত চেমিফাইনেল পৰ্যায়লৈ উন্নীত হোৱা দল কেইটা আছিল ভাৰত, পাকিস্তান, দক্ষিণ আফ্ৰিকা আৰু অষ্ট্ৰেলিয়া। প্ৰথমখন চেমিফাইনেল খেল অনুষ্ঠিত হোৱা কথা আছিল ভাৰত আৰু পাকিস্তান দল দুটাৰ মাজত আৰু দ্বিতীয়খন খেল অনুষ্ঠিত হোৱা কথা আছিল অষ্ট্ৰেলিয়া আৰু দক্ষিণ আফ্ৰিকা দল দুটাৰ মাজত। প্ৰতিযোগিতাৰ নিয়ম অনুসৰি যেতিয়াই প্ৰথমখন চেমিফাইনেল খেল ভাৰত আৰু পাকিস্তানৰ মাজত অনুষ্ঠিত হোৱাৰ সূচী ঘোষণা হয় তাৰ লগে লগে কিন্তু এই খেলখন অনুষ্ঠিত হোৱাৰ ক্ষেত্ৰতো বিভিন্ন জল্পনা কল্পনা আৰম্ভ হৈ যায়। ভাৰতৰ ভূমিত সংঘটিত হোৱা পাকিস্তান সমৰ্থিত সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰতিবাদ স্বৰূপে ভাৰতীয় খেলুৱৈসকলে পাকিস্তানৰ বিৰুদ্ধে খেলপথাৰত ক্ৰিকেট খেলত অৱতীৰ্ণ নোহোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ৱৰ্ল্ড চেম্পিয়নছ অফ লেজেণ্ড ক্ৰিকেট প্ৰতিযোগিতাত ভাৰত আৰু পাকিস্তানৰ মাজত অনুষ্ঠিত হ'ব লগা প্ৰথম খেলখন গ্ৰুপ পৰ্যায়ৰ হোৱা বাবে সেই খেলখন ভাৰতীয় খেলুৱৈসকলে খেলিবলৈ সন্মত নোহোৱা খবৰটোৱে যদিও ইমান প্ৰচাৰ হোৱা নাছিল কিন্তু চেমিফাইনেল পৰ্যায়ত পাকিস্তানৰ বিৰুদ্ধে ভাৰতীয় খেলুৱৈসকলে খেলত অংশগ্ৰহণ নকৰাৰ বাবে লোৱা সিদ্ধান্তৰ সৰ্বস্তৰত চৰ্চা হোৱা পৰিলক্ষিত হৈছে। ভাৰতীয় খেলুৱৈসকলৰ সিদ্ধান্তক প্ৰতিযোগিতাৰ পৰিচালনা সমিতিৰ তৰফৰ পৰাও সামাজিক মাধ্যম যোগে সন্মান প্ৰদান কৰা পৰিলক্ষিত হৈছে। ভাৰতীয় খেলুৱৈসকলৰ এই সিদ্ধান্তৰ পিছত উৎফুল্লিত ভাৰতীয় ক্ৰিকেট অনুৰাগীসকলে হয়তো দাবী উত্থাপন কৰিব যে ইণ্টাৰনেছনেল ক্ৰিকেট কাউন্সিল চমুকৈ আই চি চি আৰু এছিয়ান ক্ৰিকেট কাউন্সিল চমুকৈ এ চি চিৰ অধীনত অনুষ্ঠিত হোৱা ক্ৰিকেট বিশ্বকাপ, চেম্পিয়নছ ট্ৰফী, এছিয়া কাপ আদিতো ভাৰতীয় দলে পাকিস্তানৰ বিৰুদ্ধে অনুষ্ঠিত হ'বলগীয়া খেলসমূহত ভাগ ল'ব নালাগে। আচলতে বিশেষকৈ আই চি চি ৰ অধীনত অনুষ্ঠিত খেলসমূহত ভাগ নোলোৱাটো যথেষ্ট প্ৰত্যাহ্বানপূৰ্ণ। গতিকে যিকোনো আই চি চি ইভেণ্টত পাকিস্তানৰ বিৰুদ্ধে খেলত ভাগ লোৱা বা নোলোৱা গ্ৰহণ কৰিবলৈ হ'লে বিভিন্ন দিশ পৰ্যালোচনা কৰাৰ দৰকাৰ থাকে। কিন্তু ৱৰ্ল্ড চেম্পিয়নছ অফ লেজেণ্ডৰ দৰে ক্ৰিকেট প্ৰতিযোগিতাসমূহ ব্যক্তিগত খণ্ডৰ প্ৰতিযোগিতা হোৱা হেতুকে খেলুৱৈসকলে কিছুমান সিদ্ধান্ত নিজাববীয়াকৈ লোৱাৰ স্বাধীনতা থাকে। ইয়াৰ উপৰিও এনে প্ৰতিযোগিতা অংশগ্ৰহণ কৰাৰ বাবে খেলুৱৈ সকলে নিজৰ পছন্দৰ হিচাপত আয়োজকসকলৰ সৈতে কিছু চৰ্ত আৰোপ কৰিহে নিৰ্দিষ্ট প্ৰতিযোগিতাত নিজৰ নাম পঞ্জীয়ন কৰিবলৈ স্বাধীনতা লাভ কৰে। ভাৰত আৰু পাকিস্তানৰ মাজত চলি থকা সংঘাত পূৰ্ণ সম্পৰ্কৰ বাবেই পাকিস্তানৰ লগতে প্ৰতিযোগিতাৰ আয়োজক সমিতিয়েও বুজন পৰিমাণৰ ৰাজহ হেৰুৱাবলগীয়া হ'ল। ভাৰত আৰু পাকিস্তানৰ মাজত অনুষ্ঠিত হোৱা যিকোনো পৰ্যায়ৰ খেলতে দৰ্শকৰ সঁহাৰি যে অভূতপূৰ্ব সেয়া সৰ্বজনবিদিত। ভাৰত আৰু পাকিস্তানৰ মাজত অনুষ্ঠিত হোৱা ক্ৰিকেট খেলৰ পৰা লাভ কৰা ৰাজহৰ এক মোটা অংকৰ ধন পাকিস্তানৰ ক্ৰিকেট বোৰ্ড আৰু খেলুৱৈসকলেও লাভ কৰে। ভাৰতীয় খেলুৱৈসকলে যেতিয়াই ৱৰ্ল্ড চেম্পিয়নছ অফ লেজেণ্ড ক্ৰিকেট প্ৰতিযোগিতাত পাকিস্তানৰ বিৰুদ্ধে অংশগ্ৰহণ নকৰাৰ সিদ্ধান্ত ৰাজহুৱা কৰিছিল তেতিয়াই বিশেষকৈ পাকিস্তানৰ ফালৰ পৰা বিভিন্ন প্ৰতিক্ৰিয়া আহিবলৈ আৰম্ভ কৰিছিল। পাকিস্তানৰ ক্ৰিকেটাৰৰ পৰা ৰাজনৈতিক নেতালৈকে সকলোৱে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কৈছিল যে ৰাজনীতি আৰু ক্ৰিকেট একাকাৰ কৰিব নালাগে। পাকিস্তানৰ বিৰুদ্ধে ভাৰতীয় ক্ৰিকেটাৰে খেলত অংশগ্ৰহণ নকৰাৰ বাবে লোৱা সিদ্ধান্ত সম্পূৰ্ণ ভুল সিদ্ধান্ত। এই সিদ্ধান্তৰ বাবে ক্ৰিকেটৰ ক্ষতি হ'ব। আচলতে পাকিস্তানৰ ৰাজনৈতিক নেতাসকলে প্ৰদান কৰা এই ভাষ্যৰ আঁৰত লুকাই আছিল তেওঁলোকৰ ব্যৰ্থতাৰ কাহিনী। আনহাতে পাকিস্তানৰ ক্ৰিকেটাৰ সকলে প্ৰদান কৰা এই মন্তব্যৰ আঁৰত লুকাই আছিল ভাৰতে পাকিস্তানৰ বিৰুদ্ধে খেলত অংশগ্ৰহণ নকৰিলে তেওঁলোকে লাভ কৰিবলগীয়া ধন নোপোৱাৰ ক্ষোভ। পাকিস্তানৰ ক্ৰিকেটাৰ অথবা ৰাজনৈতিক নেতাসকলৰ বাবে টকা সৰ্বোপৰি হ'ব পাৰে কিন্তু ভাৰতৰ বাবে কেৱল টকা সৰ্বোচ্চ নহয় সেই কথাৰ প্ৰমাণ ইতিমধ্যে ভাৰতীয় খেলুৱৈসকলে প্ৰদান কৰিছে। পাকিস্তান ক্ৰিকেট বোৰ্ডে ইতিমধ্যে সিদ্ধান্ত গ্ৰহণ কৰিছে যে পৰৱৰ্তী সময়ত যিকোনো ব্যক্তিগত ক্ৰিকেট লীগত পাকিস্তানৰ দেশৰ নাম ব্যৱহাৰ কৰাত অনুমতি প্ৰদান কৰা নহ'ব। ভাৰতীয় প্ৰাক্তন ক্ৰিকেটৰসকলৰ দৃঢ়তাৰ বাবে যে পাকিস্তান ক্ৰিকেট বোৰ্ডে এই সিদ্ধান্ত গ্ৰহণ কৰিবলৈ বাধ্য হৈছে সেই কথা নিশ্চিত। কাৰণ পাকিস্তান ক্ৰিকেট বোৰ্ডে এটা কথা ভালদৰে অৱগত যে বিশেষকৈ যিকোনো ব্যক্তিগত লীগত ভাৰতীয় প্ৰাক্তন ক্ৰিকেটাৰসকলৰ পৰা যদি পুনৰ এনে পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হয় তেনেহ'লে পাকিস্তান ক্ৰিকেটৰ ভৱিষ্যত সম্পূৰ্ণ অন্ধকাৰ দিশে গতি কৰিব। ভাৰতৰ প্ৰাক্তন ক্ৰিকেটাৰসকলে গ্ৰহণ কৰা ভূমিকাই এটা কথা পুনৰ স্পষ্ট কৰি দিলে পাকিস্তানে যেতিয়ালৈকে সন্ত্ৰাসবাদীক প্ৰশ্ৰয় দি থাকিব তেতিয়ালৈকে ভাৰতে পাকিস্তানৰ সৈতে কোনো সম্পৰ্ক গঢ়িবলৈ আগবাঢ়ি নাহে। ভাৰতৰ এনে স্পষ্ট স্থিতিৰ পিছতো যদি পাকিস্তানে নিজকে সন্ত্ৰাসবাদ বিৰোধী দেশ হিচাপে প্ৰতিষ্ঠা কৰিবলৈ পদক্ষেপ গ্ৰহণ নকৰে তেনেহ'লে ভাৰতৰ সৈতে যে কেতিয়াও কোনো ক্ষেত্ৰতে পাকিস্তানৰ সম্পৰ্ক মধুৰ নহয় সেই কথা নিশ্চিত।

**ম'বাইল ঃ** ৬৯১৩৯-৩০৮২৯

# মাজুলী জিলা হাইস্কুল শিক্ষক সংস্থাৰ অষ্টাদশ দ্বি-বাৰ্ষিক অধিবেশন

## নতুন সমিতি গঠন, মুখপত্ৰ 'সমন্বয়' উন্মোচন



**বিকাশ শইকীয়া, মাজুলী ঃ** মাজুলী জিলা শিক্ষক সংস্থাৰ অষ্টাদশ দ্বি-বাৰ্ষিক অধিৱেশনখনি মধ্য মাজুলীৰ পকাজৰা বালিচাপৰি উচ্চ মাধ্যমিক বিদ্যালয়ত স্থানীয় ৰাইজৰ সহযোগত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। পুৱা পৰিৱেশ নিকাকৰণৰ পিছত গছপুলি ৰোপণ কৰে পুৰণিবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰূপজ্যোতি নাথে। পতাকা উত্তোলন কৰে মাজুলী জিলা হাইস্কুল শিক্ষক সংস্থাৰ সভাপতি পদুম মহন্তই। স্মৃতি তৰ্পণ কৰে পকাজৰা বালিচাপৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক পবিত্ৰ বৰাই। পুৱা ৯-৩০ বজাৰ পৰা আৰম্ভ হোৱা প্ৰতিনিধি সভা উদ্বোধন কৰে হাইস্কুল শিক্ষক সংস্থাৰ প্ৰাক্তন সভাপতি কমল চন্দ্ৰ বৰাই। প্ৰতিনিধি সভাই আগন্তুক দ্বি-বৰ্ষৰ বাবে দিগন্ত বৰাক সভাপতি, কমলাকান্ত ভূঞা আৰু ৰুণু হাজৰিকাক উপ-সভাপতি, মৃদুপৱন শইকীয়াক সম্পাদক, সুশীল কুমাৰ শইকীয়া আৰু প্ৰশান্ত শইকীয়াক সহঃ সম্পাদক, জয়ন্ত বৰা আৰু হেমন্ত বৰাক সাংগঠনিক সম্পাদক, ৰাজ্যিক সদস্য পদুম মহন্ত আৰু পত্ৰিকা সম্পাদক ৰূপে অমৰজ্যোতি বৰাক লৈ মাজুলী জিলা হাইস্কুল শিক্ষক সংস্থাৰ নতুন সমিতিখন গঠন কৰে। প্ৰতিনিধি সভাত অসম হাইস্কুল শিক্ষক সংস্থাৰ উপদেষ্টা প্ৰবীণ শইকীয়া, অসম হাইস্কুল শিক্ষক সংস্থাৰ সম্পাদক ৰমেন দুৱৰা পৰ্যবেক্ষক হিচাবে উপস্থিত থাকে। সভাত 'এন পি এছ, ইউ পি এছৰ সমস্যা আৰু সম্ভাৱনা' বিষয়ত সংস্থাৰ উপদেষ্টা প্ৰবীণ শইকীয়াই বিস্তৃতভাৱে বক্তব্য প্ৰদান কৰে। দিনৰ ১ বজাৰ পৰা পকাজৰা গাঁও পঞ্চায়তৰ সভাগৃহত অনুষ্ঠিত অধিৱেশনৰ মুকলি সভাৰ আঁত ধৰে জিলাৰ সম্পাদক সঞ্জীৱ কুমাৰ দত্তই। সংস্থাৰ মাজুলী জিলাৰ সভাপতি পদুম মহন্তই সঞ্চালনা কৰা সভাখন উদ্বোধন কৰে শংকৰ চাপৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দিগন্ত বৰুৱাই। অভ্যৰ্থনা সমিতিৰ সভাপতি ৰুদ্ৰকান্ত শইকীয়াই আদৰণি ভাষণ আগবঢ়ায়। মুখ্য অতিথিৰ ভাষণত বিধায়ক ভূবন গামে শিক্ষক সমাজক প্ৰতিনিধিত্ব কৰা হাইস্কুল শিক্ষক সংস্থাৰ কৰ্ম আঁচনিৰ শলাগ লয় আৰু আগন্তুক দিনত চৰকাৰী বিদ্যালয়ৰ শিক্ষা ব্যৱস্থাক আকোঁৱালি ল'ব পৰাকৈ বিদ্যালয়ৰ শিক্ষাদান ব্যৱস্থাৰ মান উন্নত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বিধায়কে ছাত্ৰ-ছাত্ৰীক চৰকাৰী বিদ্যালয়মুখী কৰাত গুৰুত্ব আৰোপ কৰাৰ আহ্বান জনায় আৰু এইক্ষেত্ৰত অভিভাৱকসকলৰো দায়িত্ব আছে বুলি মন্তব্য কৰে। সভাত জয়ন্ত কুমাৰ বৰা সম্পাদিত সংস্থাৰ মুখপত্ৰ 'সমন্বয়' উন্মোচন কৰি বিদ্যালয়সমূহৰ পৰিদৰ্শিকা লিপিকা বুঢ়াগোহাঁইয়ে কয়- সাহিত্য হৈছে এটা জাতিৰ, এখন সমাজৰ দাপোণ স্বৰূপ। সাহিত্যত সমাজ প্ৰতিফলিত হয়। সাহিত্যই উত্তৰ পুৰুষৰ বাবে চানেকি এৰি থৈ যায় আৰু বৌদ্ধিক আকাশত এই প্ৰয়াস জিলিকি থাকিব বুলি উল্লেখ কৰি সংস্থাৰ উদ্যোগৰ শলাগ লয়। সন্মানীয় অতিথি হিচাপে উপস্থিত থাকি মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই শিক্ষাগুৰুসকল সমাজৰ ৰূপান্তৰক বুলি উল্লেখ কৰি সমাজ এখন সংস্কাৰ কৰিবৰ বেলিকা সকলোৱে শিক্ষাগুৰুসকলৰ হাতলৈ-মুখলৈ চাই থাকে বুলি কয়। তেওঁ লগতে সেয়েহে শিক্ষাগুৰুসকলে নিজে নিজৰ স্বাতন্ত্ৰ আৰু সন্মান অটুট ৰাখিব লাগিব বুলিও উল্লেখ কৰে। সভাত সমজুৱাৰ ফালৰ পৰা শিক্ষক বসন্ত শইকীয়াই বক্তব্য প্ৰদান কৰে। সভাত বিশিষ্ট অতিথি হিচাবে মাজুলী জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি ত্ৰিদিপ হাজৰিকা, মাজুলী জিলা অধিবিদ্যা পৰিষদৰ সম্পাদক অজিত নাথ, সদৌ অসম ছাত্ৰ সন্থাৰ সাংস্কৃতিক সম্পাদক বিতোপন শৰ্মা, হাইস্কুল শিক্ষক সংস্থাৰ প্ৰাক্তন সভাপতি জয়ৰাম বৰুৱা, মাজুলী জিলা মাধ্যমিক শিক্ষক কৰ্মচাৰী সন্থাৰ সম্পাদক লোহিত শইকীয়া, সমাজকৰ্মী বীৰেন শইকীয়া, পকাজৰা গাঁও পঞ্চায়তৰ সভাপতি ৰাজকুমাৰ মিলি প্ৰমুখ্যে শিক্ষক-শিক্ষয়িত্ৰী, স্থানীয় ৰাইজ উপস্থিত থাকে। পকাজৰা বালিচাপৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰীৰ দলে পৰিৱেশন কৰা সমৱেত সংগীতেৰে আৰম্ভ হোৱা সভাত ৰাখী নাথ আৰু প্ৰিয়াক্ষী দাসৰ বৰগীতে সকলোকে আপ্লুত কৰে । সভাত অমৰজ্যোতি বৰাই আঁত ধৰা অনুষ্ঠানত ৩৭ গৰাকী বিভিন্ন বিদ্যালয়ৰ প্ৰধান শিক্ষকক আদৰণি জনোৱাৰ লগতে ৪৭ গৰাকী অৱসৰপ্ৰাপ্ত শিক্ষকক সম্বৰ্ধনা পত্ৰ, চেলেং চাদৰেৰে সম্বৰ্ধনা জনোৱা হয় আৰু ৬ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জ্ঞাপন কৰা হয়।

# অসমৰ উদীয়মান লেখক কৌশিক নন্দন বৰুৱাৰ সৈতে এক অন্তৰংগ আলাপ



**‘নিৰিবিলি’** নামৰ উপন্যাসখন লিখি জনপ্ৰিয় হোৱা অসমৰ নগাঁৱৰ ডিফলুৰ উদীয়মান লেখক কৌশিক নন্দন বৰুৱাৰ সৈতে তেওঁৰ ডিফলুৰ নিজ বাসভৱনত হোৱা এক অন্তৰংগ আলাপৰ সম্পাদিত ৰূপ পাঠকৰ বাবে আগবঢ়োৱা হ'ল ঃ

■ **তোমাৰ জন্মস্থান, শৈশৱ আৰু স্কুলীয়া জীৱনৰ বিষয়ে অলপ কোৱাচোন?**

**কৌশিক নন্দন বৰুৱা ঃ** জন্ম নগাঁৱৰ ডিফলুত। শৈশৱ মানে আমাৰ যৌথ পৰিয়ালৰ দৰে আছিল। সৰুতে মই জাতীয় বিদ্যালয়ত পঢ়িছিলো। মা, দেউতা, খুৰা সকলোৰে মাজত খুব মৰমত মই ডাঙৰ দীঘল হৈছোঁ। সৰুকালৰে পৰা জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থী হিচাপে কেৱল বিদ্যালয়ৰ কিতাপৰ কথা নহয় বাকী অসমীয়া সাহিত্যৰ কিতাপ পঢ়াৰ যিটো পৰিৱেশ সেয়া আমাৰ বিদ্যালয়ত খুব ধুনীয়া আছিল। লাইব্ৰেৰীৰ এটা ক্লাছ আছিল সেইকাৰণে সৰুতে বহুত কিতাপ মই পঢ়িছিলোঁ। তাৰ ভিতৰত শইকীয়া ছাৰৰ শিশু সাহিত্য সমূহ, নৱকান্ত বৰুৱাৰ শিশু সাহিত্যসমূহ। বিশেষকৈ ঘৰত আমাৰ পঢ়াৰ পৰিৱেশটো আছিল। জেঠাইৰ ঘৰত আমাৰ এটা লাইব্ৰেৰী আছিল। তাত গৈ মই খুব কিতাপ পঢ়িছিলো। তাৰ উপৰি ৰংমন, সঁফুৰা, মৌচাক আদি পঢ়িছিলোঁ। ইয়াৰ বাদে কিতাপৰ তলত বিস্ময় আদি লুকুৱাই পঢ়ালৈকে।

■ **তোমাৰ পিতৃ-মাতৃৰ বিষয়ে অলপ কোৱাচোন?**

**কৌশিক নন্দন বৰুৱা ঃ** মোৰ দেউতাৰ নাম শ্ৰীখগেন্দ্ৰনাথ বৰুৱা আৰু মাৰ নাম শ্ৰীমতী প্ৰভা বৰুৱা। দেউতা চৰকাৰী চাকৰিয়াল আছিল, এতিয়া Retire হ'ল। মা ঘৰৰ গৃহিণী। সৰুৰে পৰা মা-দেউতাৰ পৰা এটা কথাই শিকিছোঁ যে মা দেউতাই প্ৰতিটো সম্পৰ্কক খুব সুন্দৰকৈ মূল্য দিয়ে। যাৰ কাৰণে আগতে বা এতিয়াও আমাৰ ঘৰখন আলহী অতিথিয়ে গিজগিজাই থকা এখন ঘৰ। সেইদৰে প্ৰতিটো সম্পৰ্কক কেনেকৈ মূল্য দিব লাগে সেয়া মা-দেউতাৰ পৰা শিকিছোঁ।

■ **লেখক হিচাপে তোমাৰ প্ৰথম আত্মপ্ৰকাশ কেতিয়া হৈছিল?**

**কৌশিক নন্দন বৰুৱা ঃ** মই লিখা নিৰিবিলিয়েই মোৰ প্ৰথম কিতাপ। এই কিতাপখন মই ফেচবুকত লিখিছিলোঁ। মণিকূট প্ৰকাশনে মোৰ কিতাপখন প্ৰকাশ কৰিছিল। ইয়াৰ আগতে নিয়মীয়া বাৰ্তা, জনমভূমি আদিত লিখিছিলোঁ।

■ **সম্প্ৰতি নতুন প্ৰজন্মৰ কোনবোৰ কথাই তোমাক চিন্তিত কৰে?**

**কৌশিক নন্দন বৰুৱা ঃ** নতুন প্ৰজন্ম নিজৰ পৰিয়ালৰ পৰা অলপ আঁতৰি গৈছে। কাৰণ যৌথ পৰিয়ালৰ ধাৰণা বৰ্তমান নোহোৱা হৈছে। পৰিয়াল বুলি ক'লে সাধাৰণতে তেওঁলোকে মাক-দেউতাক বা নিজৰ একক পৰিয়ালৰ যিখিনি আছে তেঁওলোকহে তেওঁলোকে বুজিবলৈ লৈছে। সেই সম্পৰ্কবোৰক মূল্য দিবলৈ যেন পাহৰি গৈছে। গতিকে সেই কথাটোৱে মোক অলপ চিন্তিত কৰে।

■ **তোমাৰ অসাধাৰণ লিখনি প্ৰতিভাৰ বাদে সংগীত, ক্ৰীড়া আদি অন্য কোনো বিষয়ত তোমাৰ ৰুচি আছে নেকি?**

**কৌশিক নন্দন বৰুৱা ঃ** সংগীত শুনি ভাল পাওঁ। বিশ্ববিদ্যালয়ত পঢ়ি থাকোঁতে অভিনয় কৰিছিলোঁ।

■ **অকল শিক্ষা আৰু সংস্কৃতিয়ে এটা জাতিৰ উত্তৰণৰ একমাত্ৰ পথ বুলি ভাবা নেকি?**

**কৌশিক নন্দন বৰুৱা ঃ** জাতি উত্তৰণৰ কেৱল এটাই একক পথ থাকে বুলি মই নাভাবো। বিভিন্ন পথ আছে আৰু সেই পথসমূহ মুকলি কৰাৰ যিটো মাধ্যম সেয়াই হৈছে শিক্ষা। যেতিয়া শিক্ষা গ্ৰহণ কৰিব সেই পথসমূহ বা সেই মাধ্যমসমূহ মুকলি হ'ব। যদি সেই পথত খোজকাঢ়ি যোৱাৰ সাহস নাই তেতিয়া অকল শিক্ষাই কিন্তু জাতি উত্তৰণ কৰিব নোৱাৰিব। যিখিনি শিক্ষা মই লৈছোঁ সেইখিনি শিক্ষা লৈ মই আগুৱাব লাগিব। সেইখিনি শিক্ষাৰে মই অন্যয়ক অন্যায় বুলি ক'ব পাৰিব লাগিব। শুদ্ধক শুদ্ধ আৰু ভুলক ভুল বুলি ক'ব পাৰিব লাগিব। তেতিয়াহ'লে শিক্ষাটো কেৱল অকল মাৰ্কশ্বিটতেই ৰৈ যাব। বাকী সাহিত্য নিশ্চয় সমাজৰ দাপোন। কিন্তু বাস্তৱিকতে যদি আমি উত্তৰণৰ কথা কওঁ তেতিয়াহ'লে ব্যৱহাৰিক ফল লাভ কৰিবলৈ অৰ্থনৈতিক দিশৰ কথা আহিব যিটো আমি সততে কওঁ যে পথাৰো আমাৰ বজাৰো আমাৰ। গতিকে শিক্ষা আৰু সংস্কৃতিৰ লগতে কৰ্ম সংস্কৃতিটোও মই মূল কথা বুলি ভাবো। কৰ্ম সংস্কৃতি অবিহনে কোনো জাতিৰ উত্তৰণ কিন্তু নহয়।

■ **তোমাৰ প্ৰিয় খাদ্য?**

**কৌশিক নন্দন বৰুৱা ঃ** পায়স।

■ **তোমাৰ প্ৰিয় ৰং?**

**কৌশিক নন্দন বৰুৱা ঃ** ৰঙা।

■ **তোমাৰ প্ৰিয় শব্দ?**

**কৌশিক নন্দন বৰুৱা ঃ** প্ৰিয় শব্দ কৃষ্ণ।

■ **তোমাৰ প্ৰিয় লেখক আৰু প্ৰিয় উপন্যাস কি?**

**কৌশিক নন্দন বৰুৱা ঃ** প্ৰিয় লেখক বুলি ক'লে ড° ভবেন্দ্ৰ নাথ শইকীয়া ছাৰ। তেওঁ প্ৰিয় লেখক হোৱাৰ কাৰণ হ'ল যে তেওঁ মেনকাৰ দৰে এটি চৰিত্ৰ সৃষ্টি কৰিব পাৰিছিল সেই একে গৰাকী লেখকেই পাপু, ভলু, ৰুমীহঁতৰ দৰে সুকোমল চৰিত্ৰও সৃষ্টি কৰিছে। গতিকে তেখেতৰ সেই গুণটো মোৰ আটাইতকৈ ভাল লাগে। প্ৰিয় উপন্যাস বুলি যদি কওঁ তেতিয়াহ'লে ‘অনুৰাধাৰ দেশ’ উপন্যাসখন মোৰ প্ৰিয়। বৰ্তমান লেখকসকলৰ ভিতৰত ৰীতা চৌধুৰী বাইদেউ মোৰ প্ৰিয় লেখিকা।

■ **তোমাৰ হিন্দী ছবি জগতৰ প্ৰিয় অভিনেতা-অভিনেত্ৰী কোন আৰু অসমীয়া ছবি জগতৰ প্ৰিয় অভিনেতা-অভিনেত্ৰী কোন?**

**কৌশিক নন্দন বৰুৱা ঃ** হিন্দী ছবি জগতৰ প্ৰিয় অভিনেতা বুলি যদি কওঁ তেতিয়াহ'লে শ্বাহৰুখ খান আৰু প্ৰিয় অভিনেত্ৰী মাধুৰী দীক্ষিত, কাজলক মোৰ ভাল লাগে। অসমীয়া ছবি জগতৰ প্ৰিয় অভিনেতা ৰবি শৰ্মা, যতীন বৰা আৰু প্ৰিয় অভিনেত্ৰী মলয়া গোস্বামী আৰু লগতে বৰষাৰাণী বিষয়াক মোৰ খুব ভাল লাগে।

■ **তোমাৰ আদৰ্শ ব্যক্তি?**

**কৌশিক নন্দন বৰুৱা ঃ** মোৰ দেউতা।

■ **জীৱন সম্পৰ্কে তোমাৰ অভিমত?**

**কৌশিক নন্দন বৰুৱা ঃ** জীৱনৰ প্ৰত্যেক পৰ্যায়ত জীৱনৰ সংজ্ঞা বেলেগ হৈ গৈ থাকে। মোৰ শৈশৱত জীৱন সম্পৰ্কে যি ধাৰণা আছিল আজিৰ তাৰিখত হয়তো সেইটো নহ'ব, সেইটো বেলেগ হ'ব। বহুতৰ মতে জীৱন সংগ্ৰাম, বহুতৰ মতে আন কিবা। মই ভাবো জীৱনটো আমাৰ বাবে উৎসৱৰ দৰে। ইয়াক যাপন নহয় উদ্‌যাপন কৰিব লাগে। সাংঘাটিক বেয়া সময় বা কষ্টকৰ সময়তো জীৱনটোক আমি উদ্‌যাপন কৰি গৈ থাকিব পাৰো আৰু খুব সৰু সৰু মুহূৰ্ত বিলাকো আমি যদি উদ্‌যাপন কৰি গৈ থাকোঁ তেতিয়া সেই কাঁইটীয়া সময়বোৰো আমি পাৰ কৰিব পাৰিম।

*সাক্ষাৎকাৰ গ্ৰহণ কৰোতা*
**কুলদীপ শইকীয়া**
ৰত্নপুৰ, পলিৰোড
(কেন্দ্ৰীয় বিদ্যালয়ৰ সন্মুখত) নগাঁও
**ম'বাইল ঃ** ৮৪৭৪০-৯৩১৬৮

# আচমিতা টাইকোৱাণ্ডোত নগাঁৱৰ সুভমিতা সৰকাৰৰ সাফল্য




**বিশেষ সংবাদদাতা, নগাঁও ঃ** যোৰহাটত সদৌ অসম ভিত্তিত অনুষ্ঠিত আচমিতা টাইকোৱাণ্ডো লীগত নগাঁৱৰ সুভমিতা সৰকাৰে সাফল্য অৰ্জন কৰিবলৈ সক্ষম হৈছে। খেলো ইণ্ডিয়াৰ অধীনত ২৩ আগষ্টৰ পৰা ২৫ আগষ্টলৈকে যোৰহাটৰ দিল্লী পাব্লিক স্কুলত এই প্ৰতিযোগিতা অনুষ্ঠিত হয়। সুভমিতা সৰকাৰে পুমছে ফ্ৰিষ্টাইলত দলীয় শাখাত সোনৰ আৰু একক শাখাত ৰূপৰ পদক অৰ্জন কৰে। এই প্ৰতিযোগিতাত অসমৰ বিভিন্ন জিলাৰ ৮০০ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল। সুভমিতা সৰকাৰে সফলতা অৰ্জন কৰি ৰাষ্ট্ৰীয় প্ৰতিযোগিতালৈ নিৰ্বাচিত হৈছে। সুভমিতা নগাঁও চহৰৰ তেলিয়াপট্টীৰ প্ৰশান্ত সৰকাৰ আৰু পুস্পা সৰকাৰৰ জীয়ৰী। সুভমিতাৰ এই কৃতিত্বত নগাঁও টাইকোৱাণ্ডো একাডেমিৰ লগতে নগাঁওবাসীয়ে আনন্দ প্ৰকাশ কৰিছে। নগাঁও টাইকোৱাণ্ডো একাডেমিৰ প্ৰশিক্ষক জয় প্ৰসাদ শৰ্মাই সুভমিতাৰ সাফল্যৰ বাবে অভিনন্দন জনাইছে।

# যিজন মানুহৰ দেহা কুমলীয়া থাকি যায় তাৰ হৃদয় বহুত কঠোৰ হৈ পৰে

■ **চন্দ্ৰ শেখৰ পৰাজুলী**
বিশ্বনাথ চাৰিআলি, অসম

**ভ**গৱান শ্ৰীকৃষ্ণৰ মতে, যিজন মানুহৰ দেহা কুমলীয়া থাকি যায় তাৰ হৃদয় বহুত কঠোৰ হৈ পৰে। আৰু যেতিয়া এজন মানুহৰ দেহাতকৈ হৃদয় যদি বহুত কঠোৰ হৈ পৰে সেইজন মানুহ নিজৰ বাবে তথা এখন সমাজৰ বাবে বহু ক্ষতিকাৰক হৈ পৰে। তাৰে এটা আমাৰ অতীতৰে জ্বলন্ত উদাহৰণ হ'ল মহাৰাজ ধৃতৰাষ্ট্ৰ। তেওঁৰ দেহাতকৈ মন বা হৃদয় ইমানেই কঠোৰ হৈ গ'ল যে মহাভাৰতৰ যুদ্ধৰ সূচনা হ'ল লগতে নিজ বংশ পৰিয়ালৰ পতনৰ কাৰণ হৈ পৰিল। আচলতে মেকলে শিক্ষা পদ্ধতি ভাৰতবৰ্ষত আৰম্ভ হোৱাৰ লগে লগে আমাৰ গুৰুকুল শিক্ষা ব্যৱস্থাৰ অন্ত পৰিল। কিন্তু একমাত্ৰ গুৰুকুল শিক্ষা ব্যৱস্থা এনে এক উন্নত ধৰণৰ মাধ্যম আছিল য'ত সৰু এক শিশুৰ দাখিলাৰ পিছত তেওঁৰ যৌৱন কাল পাওঁতে পাওঁতে শাৰীৰিক বা দৈহিকভাৱে এক শক্তিশালী মানৱ তৈয়াৰ কৰি উলিয়াব পাৰিছিল। ফলত এজন শিশুৰ অন্তৰত মৰম, চেনেহ, সন্মান দয়া, মমতা, দোষ, কষ্ট প্ৰতি অন্তৰত কুমলীয়া ভাবধাৰাৰ সৃষ্টি হৈছিল। কিন্তু বৰ্তমান সময়ত অভিভাৱকসকলে নিজ নিজ সন্তানবোৰক বৰ বেছিকৈ লালন পালন মৰম চেনেহ প্ৰদানৰ জৰিয়তে শৰীৰবোৰ একেবাৰে কুমলীয়া আৰু মন, হৃদয় কঠোৰ কৰি তোলাত অভিভাৱক সকলৰ অজ্ঞাতবশত অগ্ৰসৰ হৈ পৰিছে। ইয়াৰ ফলত দিনক দিনে সমাজখনে হিংসাত্মক ৰূপ ধাৰণ কৰিব ধৰিছে।

আমি অভিভাৱকসকলে নিজক নিজে প্ৰশ্ন উত্থাপন কৰিবলৈ সময় আহি পৰিছে যে, সন্তানৰ প্ৰতি থকা অত্যধিক মৰম, চেনেহৰ ফলত আমাৰ এৰি থৈ অহা অতীতৰ দিনৰ তুলনাত আমি আৰু অধিক সুবিধাবাদী জীৱন প্ৰদানৰ দিশত দিনক দিনে আগুৱাই গৈছো নেকি? ইয়াৰ ফলত শিশু এটিৰ ভৱিষ্যত জীৱনলৈ সুন্দৰতা নামি আহিছে নে ভৱিষ্যত অন্ধকাৰ দিশলৈ ঢাপলি মেলিবলৈ ধৰিছে? আচলতে মানুহ মাত্ৰেই সুবিধাবাদী জীৱ। কিন্তু সুবিধাবাদী জীৱ হ'লেও মানুহ এজনৰ নিজ নিজ জীৱন কালত সময় মতে আৰু প্ৰয়োজন অনুসৰি সুবিধাবোৰ উপভোগ কৰা উচিত। অতিমাত্ৰা সুবিধাবাদী জীৱনে মানুহক শাৰিৰীকভাৱে বিকলাংগ কৰি তোলে। ইয়াৰ ফলত মানুহৰ হৃদয়ত কঠোৰতা সোমাই পৰে। আৰু মই প্ৰথমতে উল্লেখ কৰিছোঁ যে, মানুহৰ শৰীৰৰ কঠোৰ হ'ব লাগে আৰু অন্তৰখন সদায় কুমলীয়া হোৱা ভাল। সেয়েহে বৰ্তমান সময়ত আমি সকলোৱে নিজ চকুৰে দেখিবলৈ পায় আছোঁ যে, যিসকলে নিজ নিজ অতীতত বহু সংগ্ৰাম, সংঘৰ, ঘাত-প্ৰতিঘাতৰ পৰা ৰক্ষা কৰি আহিবলৈ সক্ষম হৈছে তাৰ পৰা বেছিভাগ মানুহে নিজ নিজ ঠাই অনুসৰি সফলতাৰ মুখ দেখিবলৈ সক্ষম হৈছে। আৰু যি সকল লোকে একেবাৰে অত্যধিক মৰম, চেনেহৰ মাজেদি ডাঙৰ দীঘল হৈয়ো সফলতা লাভ কৰিবলৈ যদিও সক্ষম তথাপিও তেনেকুৱা ধৰণৰ লোকসকলৰ সফলতাবোৰ চিৰস্থায়ী নহয়। কাৰণ তেওঁলোকে জীৱনত এবাৰ ভাঙি যোৱাৰ পিছত উঠি পুনৰ থিয় হোৱাৰ সামৰ্থ্য বহু কম পৰিমাণে দেখা যায়। গতিকে বৰ্তমান সময়ৰ অভিভাৱকসকলে নিজে উপলব্ধি কৰা উচিত হ'ব লোহাক তপত ভাটিত তাপ দি অস্ত্ৰ, শস্ত্ৰ নিৰ্মাণ কৰি উলিয়াব নে গাৰুৰ তলত ৰাখি ৰাখি মামৰে ধৰাব। এনেধৰণৰ ক্ৰিয়াৰ ফলত মানুহ এজন নিজৰ লগতে আমাৰ সমাজৰ বাবেও বহু ক্ষতিসাধক হোৱা পৰিলক্ষিত হয়।

## ৰাধা

**পৰীস্মিতা গগৈ দত্ত**
শিৱসাগৰ

কোনে কয় ৰাধা বিৰহনী
কৃষ্ণৰ প্ৰাণৰ আধা নহয়
বুলি।
আজি বৃন্দাবন হৈছে অতি বিতোপন
শৰৎকালৰ ৰাত্ৰি চন্দ্ৰমাৰ সুশোভিত
পোহৰে বিলাইছে অকৃত্ৰিম
ভাস্কৰ্যৰ জোনাক।
কোনে কয় ৰাধা আধৰুৱা...
কৃষ্ণৰ উশাহতে সৰ্বদা বিৰাজমান
নহ'লেনো ৰুক্মিণী থকাৰ পাছতো
কৰিলেহেঁতেন জানো ৰাসলীলা
উদ্‌যাপন।
শৰৎৰ শেৱালি সৰা দলিচাত
নিয়ৰত তিতি থকা বাঁহীটো
মৰমে বুটলি ফু দি সুৰ তোলে
ৰাধাৰ নূপুৰৰ মধুৰ শব্দত।
সেয়ে জীৱন্ত হৈ পৰে মধুবন
জোনাক যামিনী নিশা
ৰাধা-কৃষ্ণৰ প্ৰেমৰ
অমিয়া মায়াত।

## জীৱন বৃক্ষৰ সৰাপাত

**বলিন বৰদলৈ**
আলামি, গোলাঘাট

সৰি পৰিল জীৱন বৃক্ষৰ
এটি পাত
বুকুত বহি ৰ'ল স্মৃতিবহ
দিনৰ ধুমুহা এজাক ।
পাম জানো আকৌ ঘূৰাই
এৰি অহা দিনবোৰ,
পাহৰণিৰ গৰ্ভত নাযাব
ধূসৰ হ'ব দিব -
জীৱন্ত হৈ দিনবোৰ ক্ৰমশঃ।
স্বপ্নৰ ৰঙীন দুচকু
চকুপানীৰে নেদেখা বাট
ক্ৰমশঃ জীৱন্ত হওক
আমাৰ স্মৃতিৰ দিনবোৰ।
কেতিয়াবা ধূসৰ হৈ ৰয় মোৰ পথ
কেতিয়াবা ধূসৰতাত হেৰাই মোৰ লক্ষ্য
তুমি দিয়া মৰমেৰে জীৱন বৃক্ষৰ
সৰাপাত মৃত হৈও জীৱন্ত।

**ম'বাইল ঃ** ৯৪০১৮-৭৬৭২৮

## বেদনা

**ৰাজেন শৰ্মা**
মনাহকুছি

কিমান কান্দা
আৰু কিমান কান্দা
নোহোৱাজনৰ বাবে
আহিবনে ঘূৰি কান্দিলে বাৰু
ধৰণীত পোহৰ মেলি;
কান্দোনে দুখ ধোৱে অলপ সময়
অপূৰণ হৈ ৰয় খালী ঠাই
মনোমোহা ৰূপ থাকে পোণাকণত
বোকাৰ পদুমৰ দৰে;
দুখৰ সংজ্ঞাত থাকে বেদনা
ৰঙত কাজল সনা,
নিদানৰ মাত হেৰালেও
লাগিব সাহৰ চাকি
দুঃসময়ৰ দুঃশাসনবোৰ
খেদিব লাগিব আমি;
সহায়ৰ হাত নাথাকিলেও নাই
যিআছে সিয়ে সঞ্চয়
মাতৃৰ বুকুৰ উম লাগে
সিয়ে অমোঘ অস্ত্ৰ হয়,
বিদাৰিব লাগিব দুস্কৃতিৰ কলিজা
শান্তিৰ পঁজাত নাহে যেন
দুখৰ বেদনা।

**ম'বাইল ঃ** ৯১২৭০-৭১৮১৩

## সুৰৰ ঠিকনা

**বিতোপন গগৈ**
শিমলুগুৰি

খিলঞ্জীয়া কবিতা এটা বিচাৰি
ভ্ৰমি ফুৰিছো পৃথিৱীৰ ইমূৰ-সিমূৰ,
মহাপুৰুষৰ ডায়েৰী লুটিয়াইছো
মিউজিয়ামৰ গেলাৰী ঘূৰিছো
পঢ়িছো আজোককাৰ বংশলতা
তোমাৰ দোষ খুছৰি
অস্ফুট মাতৰ ধ্বনি ব্যঞ্জনাত
নিঃসংকোচে জুকিয়াই চাইছো
তোমাৰ আজোআইতাৰ
বৰ্ণিল প্ৰেমৰ ঠিকনা।

ক'ত পাম সেই নিতালমৰা ঠাই
ক'ত যাম য'ত উচ্ছেদ নাই,
ত'ত লগ হম তোমাৰ বাসনাত
য'ত মৰুময় হৃদয় সলাম

উৰি যায় চৰাইবোৰ
সুনীল পথেৰে
এৰি থৈ
আপোন আপোন যেন লগা
ভগ্ন ডেউকাৰ সপোন...

বতাহ বলিলে আবেলি
তৃষ্ণা এটি সন্ধিয়া গানৰ
কবিতাৰ বিষণ্ণ ছন্দত
তোমাৰ হস্তিনী গমন সুৰ
ভূমিখান্দি উলিয়াইছো পুৰণি চহৰ।

**ম'বাইল ঃ** ৯৩৬৫১-৬৮৮০৬



## তুমি ৰূপালী

**মেৰী বৰদলৈ**
নগাঁও, ফুলগুৰি

তুমি মোৰ মন ভাৱনাৰ
এটি সুৰ হোৱা
তুমি মোৰ
জীৰ্ণশীৰ্ণ হৃদয়খনৰ
এমুঠি ব'হাগ হোৱা

তুমি মোৰ কবিতাৰ
এটি শিৰোনাম হোৱা
তুমি মোৰ
বুকুৰ কৰণিত
এপাহি তেজাল
গোলাপ হৈ ফুলি উঠা
কাহিনীও জহিপমি নোযোৱা
তুমি মোৰ মৌন
কলিজাৰ
হৃদয়বনত
হৃদয়জুৰোৱা
এপাহি হাচনাহানা হোৱা
হাঁহি থাকিবা
খিলখিলাই মোৰ উশাহৰ
নিবিড় উপত্যকাত...।

## মৃত্যুমুখী

**হেৰম্ব নাথ**

লালসাময়ী দুচকু
ৰক্তাক্ত প্ৰত্যাশা
আত্মাৰ প্ৰগলভ-
মানুহ পশুৰেই নামান্তৰ।

**ম'বাইল ঃ** ৭০০২৭-৯৭৫৪০

# গোমোঠা গাঁৱত অসম নাট্য সন্মিলন কলংপাৰ শাখাৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন



**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** অসম নাট্য সন্মিলন নগাঁও জিলা সমিতিৰ অন্তৰ্গত 'কলংপাৰ' শাখাৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসটি যোৱা ২৫ আগষ্টত গোমোঠা গাঁও প্ৰাথমিক বিদ্যালয়ত উদ্‌যাপন কৰা হয়। এই উপলক্ষে কাৰ্যসূচী অনুসৰি পুৱা বন্তি প্ৰজ্বলনৰ লগতে পতাকা উত্তোলন কৰে ক্ৰমে শাখাৰ কাৰ্যকৰী সভাপতি কিৰণ কুমাৰ নেওগ আৰু শাখাৰ সভাপতি মাধৱ চন্দ্ৰ বৰাই। ইয়াৰ পিছতে সৈনিক শিল্পী কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে অসম নাট্য সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক সুৰজ কুমাৰ শইকীয়াই। ইয়াৰ পিছতে শাখাৰ সভাপতি মাধৱ চন্দ্ৰ বৰাৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। শাখাৰ সম্পাদক গোলাপ বৰা আৰু সহঃ সম্পাদক নিপুল বৰাই আঁত ধৰা সভাখনত অসম নাট্য সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক সুৰজ কুমাৰ শইকীয়াই অংশগ্ৰহণ কৰি অসম নাট্য সন্মিলনৰ সাংগঠনিক দিশ শক্তিশালী কৰাৰ বাবে কেন্দ্ৰীয় সমিতিয়ে গ্ৰহণ কৰা বিভিন্ন কাৰ্যপন্থা সম্পৰ্কে আলোকপাত কৰাৰ লগতে তেওঁ নতুন চিন্তা, নতুন ধ্যান-ধাৰণাৰে বিজ্ঞানসন্মতভাৱে আমি সকলোৱে অসম নাট্য সন্মিলনক আগুৱাই নিব লাগিব বুলি ভাষণত উল্লেখ কৰে। সভাত নগাঁও জিলা সমিতিৰ সম্পাদক জিতুমনি মহন্তই কয়- আমাৰ জাতীয় কৃষ্টি-সংস্কৃতি আমি জীয়াই ৰাখিব লাগিব। অন্যথা জাতীয় অস্তিত্বৰ প্ৰতি সংকট নামি আহিব। ভাষণত জিলা সম্পাদক মহন্তই যুৱ প্ৰজন্মক নাট-কলা সংস্কৃতিৰ প্ৰতি আকৃষ্ট কৰাৰ বাবে অসম নাট্য সন্মিলনে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে সভাত দাঙি ধৰে। সভাত শাখাৰ সম্পাদক তথা নাট্যকৰ্মী গোলাপ বৰাই কলংপাৰ শাখাক সক্ৰিয় কৰি তোলাত গুৰুত্ব আৰোপ কৰাৰ লগতে উঠি অহা প্ৰজন্মৰ মাজত নাট্য চৰ্চাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যেৰে 'কলংপাৰ' শাখাই প্ৰতি দুমাহৰ মূৰে মূৰে এক নাট্য বিষয়ক আলোচনাচক্ৰ অনুষ্ঠিত কৰা উচিত বুলি সভাত নাট্যকৰ্মী বৰাই মন্তব্য কৰে। সভাত শাখাৰ উপদেষ্টা তথা সমাজকৰ্মী ক্ষেমকান্ত শৰ্মা, কাৰ্যকৰী সভাপতি কিৰণ কুমাৰ নেওগে শাখাৰ সাংগঠনিক দিশ শক্তিশালী কৰাত গুৰুত্ব আৰোপ কৰে। উক্ত অনুষ্ঠানত গোমোঠা গাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰত্নেশ্বৰ বৰা, শাখাৰ উপ-সভাপতি প্ৰবোধ কুমাৰ বৰা, সহঃসম্পাদক প্ৰবীন চন্দ্ৰ বৰা, উৰিয়া গাঁও আঞ্চলিক পঞ্চায়তৰ সদস্য জয়ন্ত কুমাৰ বৰা, গাঁও প্ৰধান নিপাংকৰ শইকীয়া, সমাজকৰ্মী দেবেন বৰা, লাতুমনি নেওগ, ক্ষীৰোদ শৰ্মা, বৰুণ জ্যোতি নেওগ, ৰিতু নেওগ, পদ্ম হাজৰিকা, হেমন্ত কলিতা, লক্ষ্যজিৎ চমুৱা, দোলন চন্দ্ৰ বৰা আদি উপস্থিত থাকে।

# বৰক্ষেত্ৰীৰ ভাংনামৰীত নৱ নিৰ্বাচিত গাঁও পঞ্চায়ত প্ৰতিনিধিৰ কাৰ্যভাৰ গ্ৰহণ ও চিনাকী অনুষ্ঠান





**শংকৰ দাস, মুকালমুৱা ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত চৰ অঞ্চলৰ ৬৩ নং ভাংনামাৰী গাঁও পঞ্চায়তৰ নৱনিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধিৰ কাৰ্যভাৰ গ্ৰহণ ও চিনাকী অনুষ্ঠান অনুষ্ঠিত কৰে। ৬৩ নং ভাংনামাৰী গাঁও পঞ্চায়তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত কৰা হয় কাৰ্যভাৰ গ্ৰহণ ও চিনাকী কাৰ্যসূচী। ৬৩ নং ভাংনামাৰী গাঁও পঞ্চায়তৰ নৱনিৰ্বাচিত সভাপতি নুৰজামাল হক, উপ-সভানেত্ৰী মাজেদা বেগম, পঞ্চায়তখনৰ আঞ্চলিক সদস্যা মৰিয়ম নেছাৰ লগতে পঞ্চায়ত খনৰ ৱাৰ্ড সদস্য-সদস্যাসকলে আনুষ্ঠানিকভাৱে কাৰ্যভাৰ গ্ৰহণ কৰে। সভাখনত উপস্থিত থাকি বৰক্ষেত্ৰীৰ চ'ৰ জিলা পৰিষদৰ অঞ্চলৰ ৰাইজৰ বিভিন্ন সমস্যাৰ কথা উল্লেখ কৰি পঞ্চায়তীৰাজ ব্যৱস্থাৰ জৰিয়তে সমাধান কৰিবলৈ প্ৰয়াস কৰিব বুলি উল্লেখ কৰে নলবাৰী জিলা পৰিষদৰ অধ্যক্ষা গীতুমনি বৈশ্যই। কাৰ্যভাৰ গ্ৰহণ অনুষ্ঠানত উপস্থিত থাকে বৰক্ষেত্ৰী চ'ৰ জিলা পৰিষদৰ সদস্যা আনোৱাৰা খাতুন, লাৰকুছি কাপলাবড়ী গাঁও পঞ্চায়ত সভাপতি নাছিৰউদ্দিন আহমেদ, কুৰিহামাৰী বৰচুলীয়া গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্যা মনোৱাৰা বেগম, যুৱ নেতা সোনাবৰ আলীৰ লগতে কেইবাজনো বিশিষ্ট ব্যক্তি, পঞ্চায়ত বিভাগৰ বিষয়া-কৰ্মচাৰী তথা অঞ্চলটোৰ ৰাইজ।

প্ৰথম পৃষ্ঠাৰ পৰা

## ৰাজ্য চৰকাৰে যি কথা কয় তাক আখৰে আখৰে পালন কৰে ঃ মুখ্যমন্ত্ৰী

ভকতগাঁওস্থিত ড্ৰীমলেণ্ড খেলপথাৰত আয়োজিত এক বিশাল জনসভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে আজি জাগীৰোড সমষ্টিৰ বাবে এক অতি আনন্দৰ দিন। তেওঁ কয় যে আজি জাগীৰোড সমষ্টিৰ ৩৭,৭১৩ গৰাকী আত্মসহায়ক গোটৰ মহিলাক এই অনুষ্ঠানৰ মাধ্যমেৰে ১০ হাজাৰ টকাকৈ মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ অধীনত উদ্যমিতা পুঁজি প্ৰদান কৰাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত জাগীৰোড সমষ্টিয়ে প্ৰায় ৩৮ কোটি টকা এই অনুষ্ঠানৰ জৰিয়তে লাভ কৰিব। তেওঁ কয় যে অসমৰ গ্ৰামাঞ্চল আৰু নগৰাঞ্চলকে ধৰি ৪ লাখ আত্মসহায়ক গোটৰ ৪০ লাখ মহিলা আছে। এই আই-মাতৃসকলক এই আঁচনিৰ অধীনত অহা তিনিমাহৰ ভিতৰত সৰ্বমুঠ ৪ হাজাৰ কোটি টকা ৰাজ্য চৰকাৰে প্ৰদান কৰিব। তেওঁ কয় যে যোৱা ১ এপ্ৰিলত বিহালী সমষ্টিত অনুষ্ঠিত কাৰ্যসূচীত মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ অধীনত আত্মসহায়ক গোটৰ সদস্যাসকললৈ চেক প্ৰদানৰ প্ৰথম পৰ্যায়ৰ আৰম্ভণি কৰাৰ পাছত কালি নলবাৰী সমষ্টিৰ পৰা চেক প্ৰদানৰ দ্বিতীয় পৰ্যায়ৰ শুভাৰম্ভণি কৰা হৈছে। ঠিক তেনেদৰে আজি জাগীৰোডত, কাইলৈ মাৰ্ঘেৰিটাত এনেদৰে প্ৰতিটো সমষ্টিলৈ গৈ ৰাজ্য চৰকাৰে অসমৰ ৪০ লাখ মহিলাক মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত ১০ হাজাৰ টকাকৈ পুঁজি যোগান ধৰিব। মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমান ৰাজ্য চৰকাৰে যি কথা কয়, তাক আখৰে আখৰে পালন কৰে। ৰাজ্য চৰকাৰে শুভাৰম্ভ কৰা অৰুণোদয় আঁচনিখনে বৰ্তমান ছয় বছৰত পদাৰ্পণ কৰিলে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই আঁচনিৰ অধীনত প্ৰথমতে ৮৩০ টকাকৈ, তাৰ পিছত ১ হাজাৰ টকাকৈ আৰু পৰৱৰ্তী পৰ্যায়ত ১২৫০ টকাকৈ হিতাধিকাৰীসকলক প্ৰদান কৰা হৈছিল। এইবাৰ অৰুণোদয় আঁচনিৰ অধীনত মহিলাসকলে ১২৫০ টকাৰ সৈতে গেছ চিলিণ্ডাৰ ক্ৰয় কৰাৰ বাবদ চৰকাৰৰ পৰা ৰাজসাহায্য হিচাপে অতিৰিক্ত ২৫০ টকাকৈ লাভ কৰিব। অৰ্থাৎ পূৰ্বতে প্ৰদান কৰা ১২৫০ টকাৰ পৰিৱৰ্তে এইবাৰ অৰুণোদয় আঁচনিৰ অধীনত প্ৰদান কৰা পুঁজিৰ পৰিমাণ হ'বগৈ ১৫০০ টকা। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে যি আঁচনি হাতত লয় সেয়া বন্ধ নকৰে। বৰং গছপুলি এটিক পানী দি যেনেকৈ ডাঙৰ-দীঘল কৰা হয়, আঁচনিসমূহকো তেনেদৰে ডাঙৰ কৰি গৈ থাকে। তেওঁ কয় যে এই অভিযানৰ অধীনত লাভ কৰা ধনৰাশিৰে আত্মসহায়ক গোটৰ সদস্যাসকলে নিজাববীযাকৈ, নিজ পৰিয়ালৰ নতুবা গোটৰ আন সদস্যাসকলৰ সৈতে মিলি যৌথভাৱে বাণিজ্যিক কাম-কাজ আৰম্ভ কৰিব পাৰিব। তেওঁ মন্তব্য কৰে যে আত্মসহায়ক গোটৰ সদস্যাসকলে এই ধনৰাশিৰে কি ধৰণৰ ব্যৱসায়িক কাম-কাজ চলাই আছে সেই সন্দৰ্ভত ৰাজ্য চৰকাৰৰ পৰা সমীক্ষা চলোৱা হ'ব। এই পুঁজিৰ সদ্ব্যৱহাৰ কৰা মহিলাসকলক পৰৱৰ্তী পৰ্যায়ত ২৫ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে সদৰী কৰে। সেই পুঁজিৰ উপযুক্ত ব্যৱহাৰ হ'লে পৰৱৰ্তী সময়ত বেংকৰ জৰিয়তে ৫০ হাজাৰ টকাকৈ মহিলাসকলক ঋণ প্ৰদানৰ পৰিকল্পনা কৰা হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে ৰাজ্য চৰকাৰে ইয়াৰ সুদ পৰিশোধ কৰিব আৰু হিতাধিকাৰীসকলে কেৱল মাত্ৰ মূলধন উভতাই দিলেই হ'ব। এই আঁচনিৰ অধীনত আত্মসহায়ক গোটৰ সদস্যাসকলক এটি তিনিদিনীয়া প্ৰশিক্ষণ প্ৰদান কৰা হ'ব বুলি উল্লেখ কৰি তেওঁ কয় যে অৰুণোদয়ৰ দৰে এই আঁচনিখনো ৰাজ্য চৰকাৰে আগবঢ়াই লৈ গৈ থাকিব। এই আঁচনিৰ পৰা বাদ পৰি ৰোৱা মহিলাসকলকো এই আঁচনিৰ অধীনত অন্তৰ্ভুক্ত কৰাৰ বাবে ৰাজ্য চৰকাৰে প্ৰচেষ্টা কৰিব বুলিও তেওঁ কয়। ভাষণত মুখ্যমন্ত্ৰীয়ে জাগীৰোড সমষ্টিত এই আঁচনিখনৰ সফল ৰূপায়ণৰ দিশত অব্যাহত ৰখা নিৰন্তৰ প্ৰচেষ্টাৰ বাবে জলসম্পদ আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকাক ধন্যবাদ জ্ঞাপন কৰে। এই জনসভাত মুখ্যমন্ত্ৰীৰ সৈতে জলসম্পদ আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকা, খাদ্য, ৰাজহুৱা বিতৰণ আদি বিভাগৰ মন্ত্ৰী তথা মৰিগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী কৌশিক ৰয়, বিধায়ক ৰমাকান্ত দেউৰী, তিৱা স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰৰ উপৰি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অতিৰিক্ত মুখ্য সচিব ড° বি কল্যাণ চক্ৰৱৰ্তী, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ মিছন সঞ্চালক কুন্তলমণি শৰ্মা বৰদলৈ, মৰিগাঁও জিলা আয়ুক্ত অনামিকা তিৱাৰী, মৰিগাঁও জিলা পৰিষদৰ সভানেত্ৰী প্ৰণতি কলিতা ডেকা প্ৰমূখ্যে উচ্চ পদস্থ বিষয়াবৰ্গ আৰু গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে। এই সভালৈ অহাৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে জাগীৰোডত দুটা অতি গুৰুত্বপূৰ্ণ প্ৰকল্পৰ ভূমিপূজন আৰু শিলান্যাস কৰে। ইয়াৰে এটা হৈছে জাগীৰোডত হ'বলগীয়া টাটা অৰ্দ্ধপৰিবাহী প্ৰকল্পৰ টাউনশ্বিপত কৰ্মজীৱি মহিলা নিবাস নিৰ্মাণ আৰু আনটো হৈছে জাগীৰোড সমজিলা কাৰ্যালয় ভৱন নিৰ্মাণ। ভাৰত চৰকাৰে ২০২৪-২৫ বৰ্ষত মূলধনী ব্যয়ৰ বাবে ৰাজ্যসমূহলৈ বিশেষ সাহায্য আঁচনিৰ অধীনত কৰ্মৰত মহিলাৰ বাবে আৰম্ভ কৰা অসমত আৱাসিক হোষ্টেল নিৰ্মাণৰ অংশ হিচাপে জাগীৰোডত টাটা অৰ্দ্ধপৰিবাহী প্ৰকল্পৰ টাউনশ্বিপত ১৪২ কোটি টকাৰে এই আৱাস নিৰ্মাণ কৰা হ'ব। প্ৰায় ২১,৪১৪ বৰ্গমিটাৰ পৰিসীমাত প্ৰথম পৰ্যায়ত ৮৩০ খন বিচনাযুক্ত এই কৰ্মজীৱি মহিলা নিৱাসটো নিৰ্মাণ কৰা হ'ব। এই প্ৰকল্পটোৰ নিৰ্মাণ ১৮ মাহৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্দ্ধাৰন কৰা হৈছে। অত্যাধুনিক আন্তঃগাঁথনি, মডিউলাৰ নিৰ্মাণ, টুইন-শ্বেয়াৰিং ৰুম, স্বয়ংসম্পূৰ্ণ নবীকৰণযোগ্য শক্তিৰ জৰিয়তে আৱৰ্জনা মুক্ত, নিৰ্গমন মুক্ত আৰু সেউজ চৌহদ বিশিষ্ট হিচাপে এই প্ৰকল্পটো গঢ়ি তোলা হ'ব। এই উপলক্ষ্যত জলসম্পদ আদি বিভাগৰ মন্ত্ৰী তথা জাগীৰোডৰ বিধায়ক পীযুষ হাজৰীকা, জনস্বাস্থ্য কাৰিকৰী আৰু গৃহ নিৰ্মাণ আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী তথা মৰিগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী কৌশিক ৰয় প্ৰমূখ্যে উচ্চপদস্থ বিষয়াবৰ্গ আৰু গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে। আনহাতে, প্ৰশাসন ব্যৱস্থাক জনসাধাৰণৰ অধিক ওচৰ চপাই নিয়াৰ লগতে প্ৰশাসন যাতে জনতাৰ প্ৰতি অধিক সংবেদনশীল হয় আৰু আৰ্থ-সামাজিক প্ৰয়োজনীয়তা পূৰণৰ দিশত অধিক দক্ষ হয় তাৰ বাবে ৰাজ্য চৰকাৰে গঠন কৰা সমজিলা পদক্ষেপৰ অংশ হিচাপে আজি জাগীৰোড সমজিলা কাৰ্যালয় ভৱনৰে ভূমিপূজন আৰু শিলান্যাস কৰা হয়। এই উপলক্ষ্যত জলসম্পদ আদি বিভাগৰ মন্ত্ৰী তথা জাগীৰোডৰ বিধায়ক পীযুষ হাজৰীকা, জনস্বাস্থ্য কাৰিকৰী আৰু গৃহ নিৰ্মাণ আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী তথা মৰিগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী কৌশিক ৰয় প্ৰমূখ্যে উচ্চপদস্থ বিষয়াবৰ্গ আৰু গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে। ইফালে, জাগীৰোড ভ্ৰমণকালত আঁহতগুৰি নিবাসী বিশিষ্ট সমাজকৰ্মী প্ৰয়াত নাথুৰাম হাজৰিকাৰ বাসগৃহত উপস্থিত হৈ মুখ্যমন্ত্ৰীয়ে তেখেতৰ প্ৰতিকৃতিত পুষ্পাঞ্জলি অৰ্পন কৰি শ্ৰদ্ধা নিবেদন কৰাৰ লগতে বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি প্ৰাৰ্থনা জনায়।

## নগাঁৱত একেদিনাই কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ মুখ্যমন্ত্ৰী

গৰাকীয়ে কয়- তেওঁলোকে লিলি হোটেলত যায়, তাত ভাত খায়, চাহ খায়। সেয়া সদায়েই হয়। বিজেপিৰ প্ৰত্যাহ্বান কেনেকুৱা বুলি উল্লেখ কৰি ড° শৰ্মাই কয় যে- হাতীয়ে নিজৰ বাটেৰে গৈ থাকে। হাতীয়ে চাই নেকি কাষত কি আছে। লাহে লাহে নিজৰ গতিৰে গৈ থাকে। তলত কোন আছে, কাষত কোন আছে একো নাচায়। আনহাতে, মুখ্যমন্ত্ৰী গৰাকীয়ে শীঘ্ৰেই নগাঁৱত উচ্ছেদ অভিযান চলিব বুলিও ঘোষণা কৰে। তেওঁ সংবাদ মাধ্যমৰ আগত সদৰী কৰি কয় যে- দুই এদিনৰ ভিতৰতে নগাঁৱতো উচ্ছেদ অভিযান আৰম্ভ হ'ব। ইতিমধ্যে জিলা আয়ুক্তই নটিছ আদি ৰেডি কৰিছে। নগাঁৱত বহু মাটি বেদখল হৈ আছে। আমি যাতে উজুতি নাখাওঁ সেয়ে বিষয়টো পৰ্যবেক্ষণ কৰি থকা হৈছে। উল্লেখযোগ্য যে, যোৱা ২৩ আগষ্টত একেদিনাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কেইবাটাও কাৰ্যসূচী হাতত লৈ নগাঁৱত উপস্থিত হয়। প্ৰথমে তেওঁ ৩৭ ৰাষ্ট্ৰীয় ঘাইপথৰ ডিমৌ বাইপাছত নগাঁও চহৰলৈ সোমাই অহা 'আমাৰ নগাঁও আমাৰ গৌৰৱ' শীৰ্ষক আটকধুনীয়া আদৰণি তোৰণৰ উন্মোচন কৰে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীগৰাকীয়ে ৪২'ৰ স্বাধীনতা আন্দোলনৰ বীৰ শ্বহীদ মনবৰ নাথৰ প্ৰতিমূৰ্ত্তি আনুষ্ঠানিকভাৱে উন্মোচন কৰে। দেশৰ স্বাধীনতা আন্দোলনৰ অন্যতম স্ফুলিংগ হিচাপে নিজৰ অসীম বীৰত্বৰ পৰিচয়েৰে উজ্বলি থকা জামুগুৰি গাঁৱত বিয়াল্লিছৰ স্বাধীনতা আন্দোলনৰ দুৰ্জেয় বীৰ শ্বহীদ মনবৰ নাথৰ প্ৰতিমূৰ্ত্তি উন্মোচন কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সংবাদ মাধ্যমৰ আগত কয় যে- অসমৰ যুৱ প্ৰজন্মৰ বাবে শ্বহীদ মনবৰ নাথ এক প্ৰেৰণা আৰু সাহসৰ প্ৰতীক। নাথ যোগী ছাত্ৰ সন্থাৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত এক উদুলি-মুদুলি পৰিৱেশৰ সৃষ্টি হয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই এই অনুষ্ঠানৰ পিছতে জামুগুৰিৰ প্ৰায় তিনিশৰো অধিক বছৰ পুৰণি ঐতিহাসিক গৰখীয়া গোসাঁই থানত সেৱা লৈ থানখনৰ আন্তঃগাঁঠনি উন্নয়নৰ বাবে ২০ লাখ টকা অনুদান আগবঢ়োৱাৰ কথা ঘোষণা কৰে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰী গৰাকীয়ে নগাঁৱৰ ৰাঙলুত স্বীকৃতিপ্ৰাপ্ত ড্ৰাইভাৰ প্ৰশিক্ষণ কেন্দ্ৰ আৰু স্বয়ংক্ৰিয় ড্ৰাইভিং টেষ্ট ট্ৰেক উদ্বোধন কৰে। মুখ্যমন্ত্ৰী গৰাকীক এই কাৰ্যসূচী সমূহত সংগ প্ৰদান কৰে মন্ত্ৰী পীযুষ হাজৰিকা, যোগেন মহন, বিধায়ক ৰূপক শৰ্মা, জিতু গোস্বামী, শশীকান্ত দাস আদিকে ধৰি বিজেপিৰ বহু সংখ্যক নেতা-কৰ্মীয়ে।

## মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয় নতুন চৌহদত ৮ টা নতুন বিভাগৰ পাঠদান কাৰ্যসূচীৰ শুভাৰম্ভ

Mathematics, Physics, Botany Zoology আৰু Sankaradeva Studies ৰ পাঠদান কাৰ্যসূচী শুভাৰম্ভ হয়। এক বিশেষ অনুষ্ঠানেৰে শুভাৰম্ভ হোৱা এই পাঠদান কাৰ্যসূচীৰ শুভাৰম্ভণি অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য অধ্যাপক অশোক কুমাৰ বৰা, বিশ্ববিদ্যালয়খনৰ সমন্বয়ক তথা শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰধান সম্পাদক কুশল ঠাকুৰীয়া, পঞ্জীয়ক ড° শৰৎ হাজৰিকা, উপ-পঞ্জীয়ক (শৈক্ষিক) ড° বিচিত্ৰ বিকাশ, শ্ৰীমন্ত শঙ্কৰদেৱ আৰ্থ-সামাজিক বিকাশ ন্যাসৰ সভাপতি প্ৰফুল্ল চন্দ্ৰ বৰা, নগাঁও জিলা মূলৰ সম্পাদক প্ৰফুল্ল চন্দ্ৰ বৰাকে প্ৰমুখ্য কৰি অধ্যাপক-অধ্যাপিকা, বিষয়া-কৰ্মচাৰী, শুভাকাংক্ষী তথা ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। ইতিমধ্যে চৌহদটোত শিক্ষাতত্ব, ভূগোল আৰু দৰ্শন এই বিভাগ কেইটাৰ পাঠদান প্ৰক্ৰিয়া অব্যাহত আছে। ইয়াকে ধৰি মুঠ ১১টা বিভাগৰ শৈক্ষিক কাৰ্যক্ৰমণিকা এতিয়াৰে পৰা ৰাইদঙীয়া চৌহদত চলি থাকিব। নতুন বিভাগসমূহৰ পাঠদান প্ৰক্ৰিয়াৰ আৰম্ভ কৰাৰ এই শুভ মুহূৰ্তত বিশ্ববিদ্যালয় কৰ্তৃপক্ষই জনোৱা মতে অনতিপলমে বিশ্ববিদ্যালয়ৰ সকলো দিশৰ কাৰ্যপন্থা মূল চৌহদত আৰম্ভ কৰাৰ বাবে সকলো যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব।

## দক্ষিণ শালমাৰা- মানকাচৰ জিলাৰ কোক্ৰাডাঙাত ব্ৰহ্মপুত্ৰৰ খহনীয়াত

এই অঞ্চলত উপস্থিত হৈ সামগ্ৰিক দিশ পৰিদৰ্শন কৰে আৰু স্থানীয় ৰাইজৰ সৈতে মত বিনিময় কৰি পৰিস্থিতিৰ বুজ লয়। বিভাগীয় অভিযন্তাৰ পৰিকল্পনা আৰু স্থানীয় ৰাইজৰ আবেদন অনুসৰি খহনীয়াত আক্ৰান্ত এই স্থানত প্ৰায় ৫০০ মিটাৰ অংশত শক্তিশালীভাৱে স্থায়ী প্ৰতিৰোধী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে পৰিদৰ্শনকালত প্ৰতিশ্ৰুতি প্ৰদান কৰে। পাছত সাংবাদিকৰে হোৱা সাক্ষাতত মন্ত্ৰী পীযুষ হাজৰিকাই কয় যে কোক্ৰাডাঙাত জিঅ' মেগা টিউবেৰে খহনীয়া প্ৰতিৰোধী কাম কৰিবলৈ ইতিমধ্যেই ৫০ টা টিউব ইয়ালৈ অনা হৈছে আৰু অঞ্চলটোত খহনীয়াৰোধী কাম আৰম্ভ কৰা হ'ব। আনহাতে অসমত বৰ্তমানে নতুন মথাউৰি নিৰ্মাণৰ ক্ষেত্ৰত জিঅ' মেগা টিউব ব্যৱহাৰ কৰাটো বাধ্যতামূলক কৰা হৈছে বুলি মন্তব্য কৰি মন্ত্ৰীগৰাকীয়ে কয় যে এই পদক্ষেপে ৰাজ্যখনৰ মথাউৰিসমূহ শক্তিশালী কৰি তুলিছে। ভৱিষ্যত পৰিকল্পনা হিচাপে পৰ্যায়ক্ৰমে ৰাজ্যখনৰ প্ৰায় ৪০০০ কিল'মিটাৰ দৈৰ্ঘ্যৰ পুৰণা মথাউৰি শক্তিশালী কৰিবলৈ দুটাকৈ জিঅ' টিউব ব্যৱহাৰ কৰাৰ ওপৰতো চিন্তা কৰি থকা হৈছে বুলি জলসম্পদ মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে আৰু কয় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্য চৰকাৰে অসমত বানপানী নিয়ন্ত্ৰণৰ বাবে আন্তৰিকতাৰে কাম কৰি বহুখিনি সফলতা লাভ কৰিবলৈ সক্ষম হৈছে।

## বড়মপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নৱাগত আদৰণি সভা সম্পন্ন

### ছাত্ৰী জিৰণি কোঠা কাঁচঘৰ মুকলি



**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** নগাঁও জিলাৰ বড়মপুৰ শ্বহীদ স্মৃতি আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত যোৱা ২২ আগষ্টত নৱাগত আদৰণি সভা অনুষ্ঠিত হয়। আদৰণি সভাৰ পূৰ্বে বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী জুনু হাজৰিকা আৰু সমাজকৰ্মী জয়ৰাম শইকীয়াৰ ব্যক্তিগত প্ৰচেষ্টাত ৪ লাখ টকা ব্যয় সাপেক্ষে প্ৰয়াত মুক্তিযোদ্ধা হলিৰাম হাজৰিকা আৰু জুনু হাজৰিকাৰ মাতৃ মোহিনী হাজৰিকাৰ পৱিত্ৰ স্মৃতিত নিৰ্মাণ কৰা ছাত্ৰী জিৰণি কোঠা কাঁচঘৰ উদ্বোধন কৰে নগাঁও মহাবিদ্যালয় অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক হলিৰাম হাজৰিকাই। ভাষণত উদ্বোধক হাজৰিকাই নৱনিৰ্মিত জিৰণি কোঠাৰ জৰিয়তে ছাত্ৰীসকল উপকৃত হ'ব বুলি উল্লেখ কৰাৰ লগতে ছাত্ৰীসকলৰ সুবিধাৰ্থে প্ৰাক্তন ছাত্ৰীগৰাকী সহিতে তেওঁৰ স্বামীয়ে জিৰণি কোঠা নিৰ্মাণ কৰি দিয়া পদক্ষেপক শলাগ লয়। ইয়াৰ পিছতে বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি চাকিৰাম শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ দীপক চন্দ্ৰ বৰা, অৱসৰপ্ৰাপ্ত অধ্যক্ষ নলিনী কুমাৰ বৰা, বিষয় শিক্ষক তথা লেখক নয়ন জ্যোতি নেওগে শৈক্ষিক ক্ষেত্ৰৰ বিভিন্ন দিশ সামৰি ভাষণ প্ৰদান কৰে। বিদ্যালয়খনৰ বিষয় শিক্ষয়ত্ৰী অম্বিকা কোঁৱৰে আঁত ধৰা সভাখনত অৱসৰপ্ৰাপ্ত শিক্ষক ক্ৰমে মণ্টু মহন্ত, দেৱজিৎ নাথ, অৱসৰপ্ৰাপ্ত শিক্ষয়ত্ৰী জুনু হাজৰিকা, সমাজকৰ্মী জয়ৰাম শইকীয়া প্ৰমুখ্যে বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়ত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। সভাৰ অন্তত সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়।

জনতাৰ চৰকাৰ | my GOV मेरी सरकार

অসম চৰকাৰ
পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ
অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান

# সবল মহিলা সবল সমাজ



উদ্যমিতাৰ দিশত আগুৱাই যাবলৈ
আত্মসহায়ক গোটৰ প্ৰতিগৰাকী অৰ্হতাসম্পন্ন মহিলাক

## ১০,০০০ টকাৰ
## উদ্যমিতা পুঁজি প্ৰদান অনুষ্ঠান




মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান

## মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ পুঁজি বিতৰণ সূচী

| বিধান সভা সমষ্টি | তাৰিখ (বৰ্ষ - ২০২৫) | মুখ্য অতিথি |
|---|---|---|
| নলবাৰী | ২২ আগষ্ট | ড° হিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰী, অসম |
| জাগীৰোড | ২৩ আগষ্ট | |
| মাৰ্ঘেৰিটা | ২৪ আগষ্ট | |
| ধুবুৰী | ২৫ আগষ্ট | শ্ৰীৰণজিৎ কুমাৰ দাস মন্ত্ৰী, অসম |
| পাথাৰকান্দি | ১ ছেপ্টেম্বৰ | ড° হিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰী, অসম |
| হোজাই | ২ ছেপ্টেম্বৰ | |
| জালুকবাৰী (ৰামছাৰাণী আঞ্চলিক পঞ্চায়ত আৰু উত্তৰ গুৱাহাটী পৌৰসভা এলেকাৰ বাবে আংশিকভাৱে) | ৩ ছেপ্টেম্বৰ | |
| লাহৰিঘাট | | শ্ৰীকৌশিক ৰায় মন্ত্ৰী, অসম |

| বিধান সভা সমষ্টি | তাৰিখ (বৰ্ষ - ২০২৫) | মুখ্য অতিথি |
|---|---|---|
| ঢেকিয়াজুলি | ৪ ছেপ্টেম্বৰ | ড° হিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰী, অসম |
| মানকাচৰ | ৬ ছেপ্টেম্বৰ | শ্ৰীকেশৱ মহন্ত মন্ত্ৰী, অসম |
| গৌৰীপুৰ | ১৬ ছেপ্টেম্বৰ | শ্ৰীৰণজিৎ কুমাৰ দাস মন্ত্ৰী, অসম |
| বিশ্বনাথ | ২৫ ছেপ্টেম্বৰ | ড° হিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰী, অসম |
| জোনাই | ২৬ ছেপ্টেম্বৰ | |
| তিনিচুকীয়া | ২৭ ছেপ্টেম্বৰ | |
| ৰংখাং | ২৮ ছেপ্টেম্বৰ | |




### উদ্যমিতাৰ ক্ষেত্ৰসমূহ

- কৃষি
- পশুপালন
- বয়নশিল্প
- হস্তশিল্প ইত্যাদি

ৰাজ্যজুৰি ৩০ লাখ+ মহিলালৈ বীজ মূলধন

মুঠ পুঁজি ৩০০০+ কোটি টকা

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

Janasanyog RO no 1793/25/29-August-25

# শিৱসাগৰ অসামৰিক চিকিৎসালয় পৰিদৰ্শন আৰু শিশু, মাতৃসেৱা ভৱন উদ্বোধন অভিভাৱক মন্ত্ৰী ৰণোজ পেগুৰ



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰ জিলাৰ অভিভাৱক মন্ত্ৰী ড° ৰণোজ পেগুৱে শিৱসাগৰ অসামৰিক চিকিৎসালয় পৰিদৰ্শন কৰাৰ লগতে শিশু আৰু মাতৃসেৱা কোষৰ নৱনিৰ্মিত ভৱনটি যোৱা ২৩ আগষ্ট, শনিবাৰে উদ্বোধন কৰে। প্ৰসূতি বিভাগ ৰাজ্যৰ শিক্ষা (উচ্চ, মাধ্যমিক আৰু প্ৰাথমিক), ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ তথা শিৱসাগৰ জিলাৰ অভিভাৱক মন্ত্ৰী ড° ৰণোজ পেগুৱে দিনৰ ২ বজাত জয়সাগৰস্থিত শিৱসাগৰ অসামৰিক চিকিৎসালয় পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ সময়ত তেওঁ চিকিৎসালয়খনৰ ব্যৱস্থা-পৰিচালনা, স্বাস্থ্যসেৱা আৰু বিভিন্ন চিকিৎসা সৰঞ্জামৰ অৱস্থা খুঁটিনাটি মাৰি পৰ্যালোচনা কৰে। উল্লেখ্য যে, অভিভাৱক মন্ত্ৰীগৰাকীয়ে শিৱসাগৰ অসামৰিক চিকিৎসালয়ৰ চৌহদত নতুনকৈ নিৰ্মিত প্ৰসূতি আৰু শিশু স্বাস্থ্যসেৱা কোষ, (MCH)ত প্ৰসূতি কক্ষটো উদ্বোধন কৰে। উক্ত কক্ষটো আগৰ ভৱনটোৰ পৰা স্থানান্তৰ কৰি নতুন ভৱনত স্থাপন কৰা হৈছে, তাত মাতৃ আৰু শিশুৰ বাবে উন্নত চিকিৎসাসেৱা উপলব্ধ হ'ব বুলি জানিব পৰা গৈছে। অভিভাৱক মন্ত্ৰীগৰাকীয়ে চিকিৎসক, চিকিৎসাকৰ্মী আৰু কৰ্মচাৰীসকলৰ সৈতে মত-বিনিময় কৰি স্বাস্থ্যসেৱাৰ গুণগত মান উন্নত কৰাৰ দিশে বিশেষ গুৰুত্ব আৰোপ কৰে। লগতে অসুস্থসকলৰ প্ৰতি যত্নশীল আৰু সজাগ মনোভাৱৰ সৈতে সেৱা আগবঢ়াবলৈ তেওঁ সকলো কৰ্মচাৰীক আহ্বান জনায়। আনহাতে মন্ত্ৰীগৰাকীয়ে চৰকাৰে স্বাস্থ্য খণ্ডৰ বিকাশ আৰু চিকিৎসাসেৱা সহজলভ্য কৰিবলৈ গৃহীত পদক্ষেপসমূহৰ বিষয়ে উল্লেখ কৰাৰ লগতে আগন্তুক দিনতো শিৱসাগৰ অসামৰিক চিকিৎসালয়ৰ উন্নয়নৰ বাবে অসম চৰকাৰৰ তৰফৰ পৰা সকলোধৰণৰ সহায় আগবঢ়াব বুলি আশ্বাস প্ৰদান কৰে। শিৱসাগৰ অসামৰিক চিকিৎসালয়খন উন্নতমানৰ কৰি তুলিবলৈ অভিভাৱক মন্ত্ৰীগৰাকী কিমানদূৰ সফল হয় সেয়া আগন্তুক সময়ত লক্ষণীয় হ'ব।

# 'বেটি বচাও, বেটি পঢ়াও' আঁচনিৰ অধীনত 'বাল্য বিবাহমুক্ত মাজুলী' অভিযানৰ সজাগতা সভা সম্পন্ন

**বিকাশ শইকীয়া, মাজুলী ঃ** 'বাল্য বিবাহমুক্ত মাজুলী' অভিযানৰ অংশস্বৰূপে উজনি মাজুলীৰ চিৰাম হাইস্কুলত 'বেটি বচাও, বেটি পঢ়াও' আঁচনিৰ অধীনত জিলা মহিলা আৰু শিশু বিকাশ বিভাগ, জিলা প্ৰশাসন, আৰক্ষী বিভাগ আৰু শিক্ষা বিভাগৰ যৌথ উদ্যোগত বিদ্যালয়খনিৰ প্ৰধান পদুম মহন্তৰ সভাপতিত্বত এখনি সজাগতা সভা অনুষ্ঠিত হয়। লিংগ বিশেষজ্ঞ ৰিম্পী ভূএগুাই আঁত ধৰা সভাখনিত সমল ব্যক্তি হিচাপে উপস্থিত থকা কুশদীপ হাটীমতাই অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বিপৰীতে বিজ্ঞানভিত্তিক চিন্তাধাৰাৰ প্ৰচাৰৰ জৰিয়তে বাল্য বিবাহমুক্ত সমাজ গঠনৰ প্ৰয়োজনীয়তা সন্দৰ্ভত বক্তব্য আগবঢ়ায়। জিলা মহিলা সৱলীকৰণ কেন্দ্ৰৰ জিলা মিছন সমন্বয়ক কুকি বৰুৱা উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক ১০৯৮ শিশু হেল্পলাইন নম্বৰৰ ব্যৱহাৰৰ বিষয়ে অৱগত কৰাৰ লগতে শিশুৰ শিক্ষাৰ অধিকাৰ আৰু বেটি বচাও বেটি পঢ়াও আঁচনিৰ ওপৰত মন্তব্য আগবঢ়ায় লগতে অংশগ্ৰহণকাৰীসকলক উদেশ্য কৰি বাল্য বিবাহ মুক্ত মাজুলী গঠনৰ প্ৰয়োজনীয়তা সন্দৰ্ভত  অৱগত কৰে।







# মাজুলী মহাবিদ্যালয়ৰ অৰ্থনীতি বিজ্ঞান বিভাগৰ নৱাগত আদৰণী সভাত 'অৰ্থ-জেউতি' উন্মোচন

## 'প্ৰৱল ইচ্ছাশক্তি হৈছে জীৱনত সাফল্য লাভৰ বীজমন্ত্ৰী' ঃ ডঃ দেৱজিৎ শইকীয়া



**বিকাশ শইকীয়া, মাজুলী ঃ** মাজুলী মহাবিদ্যালয়ৰ অৰ্থনীতি বিজ্ঞান বিভাগৰ নৱাগত আদৰণী সভাখনি মহাবিদ্যালয়ৰ 'সত্ৰাধিকাৰ পদ্মকান্তদেৱ গোস্বামী সভাকক্ষ'ত অনুষ্ঠিত হয়। দিনৰ ১ বজাৰ পৰা বিভাগীয় মুৰব্বী ড° ব্ৰজেন চন্দ্ৰ নেওগৰ অনুষ্ঠিত সভাৰ আঁত ধৰাৰ লগতে উদ্দেশ্য ব্যাখ্যা কৰে তৃতীয় ষাণ্মাসিকৰ ছাত্ৰী সোণালিকা হাজৰিকাই। আৰম্ভণিতে বন্তি প্ৰজ্বালন কৰি সভাখনি উদ্বোধন কৰা হয়। বিভাগটোৰ প্ৰাক্তন ছাত্ৰ তথা বৰ্তমান জেংৰাইমুখ মহাবিদ্যালয়ৰ অৰ্থনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক বিনোদ দাসে শৱনম সমৰ্পিত শইকীয়াৰ দ্বাৰা সম্পাদিত বিভাগীয় প্ৰাচীৰ পত্ৰিকা 'অৰ্থজেউতি' উন্মোচন কৰি সাৰুৱা বক্তব্য প্ৰদান কৰে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বিভাগৰ প্ৰাক্তন ছাত্ৰী তথা শ্বহীদ মণিৰাম দেৱান মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপিকা জোণ্টি দাসে বহুদিনৰ মূৰত বিভাগটোলৈ আহি আৱেগিক হৈ পৰা বুলি উল্লেখ কৰাৰ লগতে শিক্ষাৰ্থীসকলক সময়ানুৱৰ্তী হৈ আগবাঢ়ি যাবলৈ আহ্বান জনায়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াই কয়-"প্ৰৱল ইচ্ছাশক্তি হৈছে জীৱনত সাফল্য লাভৰ বীজমন্ত্ৰ। পৃথিৱীত এনে কোনো শক্তি নাই, যাক ইচ্ছাশক্তিয়ে পৰাভূত কৰিব নোৱাৰে। কঠোৰ অধ্যৱসায় আৰু প্ৰৱল ইচ্ছাশক্তিৰ বলত জীৱন জাতিষ্কাৰ কৰা মহান ব্যক্তিৰ উদাহৰণ দেখাৰ আছে।" অধ্যক্ষ ড° শইকীয়াই লগতে জীৱনৰ সুন্দৰ অথচ জটিল এই পঢ়াশলীয়া সময়খিনিক সঠিকভাৱে ব্যৱহাৰ কৰাৰ ওপৰতে শিক্ষাৰ্থীসকলৰ ভৱিষ্যত নিৰ্ভৰ কৰে বুলিও উল্লেখ কৰে। সভাত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকি মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া আৰু শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি বক্তব্য আগবঢ়ায়। সভাত বিভাগৰ সহযোগী অধ্যাপিকা ড° ৰূপজ্যোতি বৰা, সহকাৰী অধ্যাপক দীনেশ পেগু আৰু মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী উদেষ্ণা দাসেও একাষাৰ কয়। প্ৰথম ষাণ্মাসিকৰ শিক্ষাৰ্থী উপাসনা বৰঠাকুৰৰ আধুনিক গীত আৰু আশিস শইকীয়াৰ গীটাৰ বাদনে সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। উপস্থিত শিক্ষাৰ্থীসকলৰ ফালৰ পৰা শৰনম সমৰ্পিত শইকীয়া, পাৰমিতা হাজৰিকা আৰু ভাগ্যপ্ৰিয়া বৰাই বক্তব্য দাঙি ধৰে। সভাতে প্ৰাক্তন ছাত্ৰী অধ্যাপিকা জোণ্টি দাসে বিভাগীয় প্ৰাচীৰ পত্ৰিকাখন প্ৰকাশৰ সুবিধা হোৱাকৈ এটি স্থায়ী প্ৰস্তুত কৰিবৰ বাবে আৰ্থিক বৰঙণি আগবঢ়ায়। সভাখনিত শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।




স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,

সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা